# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## JULY SESSION

VOLUME-VIII

No. 4

DATED THE 17TH JULY, 1985

Price Rs. 7·90

# CONTENTS

## JULY SESSION

## Volume VIII No. 4

## Dated, the 17th July, 1985


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Matter relating to Labour Strike | 11 |
| 3. | Statement on Starred Questions | 14 |
| 4. | Point of Order | 15 |
| 5. | Calling Attention Notice | 15 |
| 6. | Matter Under Rule 301 | 19 |
| 7. | Laying of Report | 29 |
| 8. | Discussion Under Rule 50 | 29 |
| 9. | Consideration & Passing of Government Bill | 38 |
| 10. | Adjournment | 40 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY,

Wednesday, July 17, 1985

The House met at 10 A. M. in the Assembly Chamber Dispur with Mr. Speaker in the Chair.

## STARRED
## QUESTIONS AND ANSWERS

( To which oral Answers were given )

### Sub : Appointment of Bodo Medium Teachers.

Shri Purna Boro asked :

*15. Will the Minister, Education be pleased to state—

(a) Whether Government proposes appointment of Bodo medium teachers in L. P. School which are situated outside T. S. P. areas ?

(b) If so, whether post will be sanctioned at the earliest ?

Shri Mukut Sarma ( Minister, Education ) replied :

(a) There is no bar for appointment of teachers in such schools from out of the posts allotted/to be allotted under General Area.

(b) In view of the reply to (a) above question of separate sanction does not arise.

শ্রীপূর্ণ বড়ো :— উপাধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল টি, এচ,পিৰ এলেকাৰ বাহিৰৰ বড়ো মিডিয়ামৰ স্কুলত বড়ো মিডিয়ামৰ শিক্ষক নিয়োগ কৰাৰ প্ৰস্তাৱ চৰকাৰে লৈছে নেকি ? উত্তৰটো সঠিকভাবে পোৱা নাই। ইতিমধ্যে বড়ো মি.ডয়ামৰ শিক্ষক কিছুমান হাইপেণ্ডেৰী শিক্ষক হিচাৱে নিযুক্তি দিয়া

হৈছে। সিদিনাও মই প্ৰশ্ন কৰোতে মন্ত্ৰী মহোদয়ে কৈছিল যে বড়ো মিডিয়াম শিক্ষকক টি,এচ,পিৰ বাহিৰত নিযুক্তি দিয়াৰ ব্যৱস্থা নাই। গতিকে টি,এচ,পিৰ বাহিৰৰ স্কুলবিলাকত বড়ো মিডিয়ামৰ শিক্ষক পদ মঞ্জুৰী কৰা হবনে?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী): উপাধ্যক্ষ মহোদয়, মই উত্তৰত কৈছোৱেই যে টি,এচ,পিৰ বাহিৰত স্কুল সমূহত বড়ো মিডিয়ামৰ শিক্ষক নিযুক্তি দিয়াত কোনো বাধা নাই দিব পাৰে।

শ্ৰীপূৰ্ণ বড়ো: তেনেকুৱা হোৱা নাই। টি,এচ,পিৰ এৰিয়াৰ পোষ্ট চেংচন কৰোতে অকল টি,এচ,পিৰ ভিতৰতে শিক্ষক নিযুক্তি হব লাগিব বুলি চাকুৰ্লাৰ আছে প্ৰাৰ্থমিক শিক্ষাধিকাৰৰ পৰা। টি,এচ,পিৰ এলেকাৰ বাহিৰত কি ব্যৱস্থা কৰা হব মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী): উপাধ্যক্ষ মহোদয়, অসুবিধা একো নাই। টি,এচ,পি এৰিয়াৰ ভিতৰত অন্য শিক্ষক নাথাকিব কিন্তু বাহিৰত থাকিব লাগিব বা নাথাকিব বুলি কথা নাই। আমি ২০০০ পোষ্ট মঞ্জুৰ কৰিছিলো তাৰে ৩০০ পদ টি,এচ,পি এৰিয়াৰ কাৰণে এয়াৰ মাৰ্ক কৰা হৈছে। তাৰ বাহিৰেও সমষ্টি হিচাৱে ১৩টাকৈ পোষ্ট মঞ্জুৰ কৰা হৈছে তাৰ পৰা টি,এচ,পিৰ বাহিৰত শিক্ষক নিযুক্তি কৰিব পাৰে।

শ্ৰীপূৰ্ণ বড়ো:- চাৰ কথাতো বুজাত ভুল হৈছে। কথাটো ভালকৈ তদন্ত কৰি চাব লাগে। এই প্ৰসঙ্গতে মই মন্ত্ৰী মহোদয়ৰ পৰা আৰু এটা কথা জানিব বিচাৰিছো যে কিছুমান ষ্টাইপেণ্ডৰী শিক্ষক নিযুক্তি দিয়া হৈছিল আৰু তেওঁলোকক ২০০ টকাকৈ দৰমহা দিয়া হব বুলি কৈছিল এতিয়ালৈকে তেওঁলোকৰ কিছুমানে পাইছে আৰু কিছুমানে পোৱা নাই। তেওঁলোকক প্ৰশিক্ষনলৈ পঠিওৱা হব বুলি কৈছিল তেওঁলোকক ৰেগুলাৰ ও কৰা নাই প্ৰশিক্ষনলৈও পঠিওৱা নাই। গতিকে তেওঁলোকক ৩ বছৰৰ কাৰণে এইদৰে ৰখা হবনে নাই বা ৰেগুলাৰ কৰা হবনে নাই মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী):- উপাধ্যক্ষ মহোদয় প্ৰথমটোৰ উত্তৰ হিচাৱে আকৌ কব বিচাৰিছো যে বড়ো মাধ্যমৰ শিক্ষকক বাহিৰত নিযুক্তি দিয়াৰ কোনো বাধা নাই পদ বিলাক মাধ্যম হিচাৱে মঞ্জুৰ কৰা হোৱা নাই। সেই পদৰ ওপৰিও সমষ্টিগত হিচাৱে আকৌ ১৩টাকৈ পদ মঞ্জুৰ কৰা হৈছে। তাতো বড়ো মাধ্যমৰ শিক্ষক নিযুক্ত কৰিব পাৰে। দ্বিতীয়তে যি সকল ষ্টাইপেণ্ডাৰী শিক্ষক নিয়োগ কৰা হৈছে তেওঁলোকক নিয়োগ কৰোতে কোৱা হৈছেযে প্ৰথম

বছৰত তেওঁলোকক ২০০ টকাকৈ দিয়া হব দ্বিতীয় বছৰত তেওঁলোকক প্ৰশিক্ষণলৈ পঠিওৱা হব আৰু তৃতীয় বছৰত তেওঁলোকক ৰেগুলাৰ স্কেল দিয়া হব।

শ্ৰীপ্ৰসাদ দলৈ: এই বড়ো মাধ্যমৰ শিক্ষকৰ কাৰণে কিছুমান ঠাইত অসুবিধা হৈছে। জাগীৰোড সমষ্টিত যি কেইখন বড়ো মাধ্যমৰ স্কুল আছিল তাত অন্যান্য ভাষাভাষীৰ ছাত্ৰছাত্ৰীও আছিল এতিয়া বড়ো মাধ্যম প্ৰৱৰ্ত্তন কৰাৰ পাছত অন্যান্য ভাষাভাষীৰ ল'ৰা ছোৱালীৰ অসুবিধা হৈছে যেনে হাউলাভেটি বামফৰ আদি। গতিকে অন্যান্য ল'ৰা ছোৱালী বিলাকৰ অসুবিধালৈ চাই ৰাইজে তাৰ ওচৰত সেই ল'ৰা ছোৱালী বিলাকৰ কাৰণে বেলেগ স্কুল খুলি তেওঁলোকক পাঠদান কৰিব লগীয়া হৈছে। সেই স্কুল বিলাকক ভেঞ্চাৰ স্কুল লোৱা সময়ত বিশেষভাবে বিবেচনা কৰিব নে শিক্ষামন্ত্ৰীয়ে?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী): কথাটো চালিজাৰি চাব লাগিব।

Shri Binoy Kumar Basumatary: Is it true that there are some problems in regard to schools under Bodo medium outside TSP area? As the hon'ble Minister has stated this, it is a new position, will he kindly confirm this new position with instructions to the relevant officers?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী): উপাধ্যক্ষ মহোদয়, এটা নৰ্মচ বান্ধি দিয়া হৈছে এচ চি এচটিক অগ্ৰাধিকাৰ দিবলৈ মাননীয় সদস্য সকলেই যেতিয়া বোৰ্ডত আছে নিশ্চয় নিযুক্তিৰ সময়ত এই কথাটোত দৃষ্টি ৰাখিব।

## Sub: SETTLEMENT OF NAGRIJULI MARKET.

Shri Binoy Kumar Basumatary asked:

*16. Will the Minister, Panchayat be pleased to state—

(a) The number of tenders received by the Mohkuma Parishad, Nalbari against Annual Settlement of Nagrijuli weekly market during 1985-86?

(b) Who was the highest bidder in this tender and whether it was settled with the highest bidder?

(c) If not, whether it is a fact that only the seventh highest bidder was allotted the tender/annual lease?

(d) If so the reasons and the total loss of revenue incurred due to this irregular settlement?

Shri Nepal Chandra Das ( Minister of State, Panchayat ) replied : (a) 8 Nos.

(b) Shri Birendra Barman was the highest bidder the market was not settled with the highest bidder.

(c) Yes, it is a fact.

(d) The Mohkuma parishad found the tenders of the first six higher tenders defective and so rejected their offer . An appeal has been field before the Government by three agrieved tenderers against the settle-given by the Mohkuma Parishad . The appeal has been admitted and it is now pending before the Government .

The difference between the rate offered by the highest tenderer and the rate at which it has been settled by the Mohkuma Parishad, is Rs 1, 32, 131, 20.

Shri Binoy Kumar Basumatari : Sir, it is good that the Hon. Minister has admitted the actual position. Now, Sir, in the appeal the three appellants have claimed that their tenders are in order. Therefore, what is the decision of the Government ?

Shri Nepal Das, (Minister of State, Panchayat) : Sir, it is pending before the Government. Decision will be made after hearing.

Shri Binoy Kumar Basumatnri : Sir, is the Government aware that the tender No. 1. was absolutely in order and the Mahakuma Parishad itself had mutilated the tender. Is the Government aware of this ?

Shri Nepal Chandra Das, (Minister of State, Panchayat) : Sir, it is pending for hearing and I cannot say what is the position of the case just now.

Shri Altaf Hussain Mazumdar : Mr. Dy. Speaker, Sir, the Hon. Minister has said that the first 6 tendres have been rejected as defective and the seventh man was given the market. Will the Hon. Minister kindly State on what ground the first six tenders were rejected ?

Shri Nepal Chandra Das, (Minister of State, panchayat) : The reason mentioned in the resolution as 'defective'.

Shri Binoy Kumar Basumatari : Sir, so it is apparent that the Committee had resolved to declare the tenders saying that these were defective but factually the tenders were not 'defective'. Therefore, this smacks of corruption in the Mahakuma Parishad. Will the Government look into the entire issue ?

Shri Nepal Chandra Das, (Minister of State) : , Yes, Sir.

Shri Binoy Kumar Basumatari : Sir, the Government has issued two instructions - one on 25th and another on 29th June, making it clear that settlement normally should be with the tenderer quoting the highest rate. Then how did this Mahkuma Parishad ignore these instructions ?

Shri Nepal Chandra Das ( Minister of State, Panchayat ) : Sir, after hearing and going through all the records it will be finalised.

Shri Binoy Kumar Basumatari : Sir, it is a fact that the tenderer with whom it has been settled is related to one of the Members of the Council of Ministers of the Government ?

Shri Nepal Chandra Das ( Minister of State Panchayat ) : There is no such information.

Shri Hassanuddin Ahmed : Sir, will the Hon. Minister be pleased to state what were the defects in the tenders ?

Shri Nepal Chandra Das (Minister of State, Panchayat) : Sir, I have already mentioned.

### জনজাতীয় উপপৰিকল্পনাৰ গাওঁত স্বাস্থ্য উপকেন্দ্ৰ ।

শ্ৰী পূৰ্ণ বড়োৱে সুধিছে :

১৭। মাননীয় জনজাতীয় উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?
(ক) গোৰেশ্বৰ ৰাজহ চক্ৰৰ জনজাতীয় উপপৰিকল্পনাৰ অন্তৰ্গত গাওঁ সমূহত নতুন উপস্বাস্থ্য কেন্দ্ৰ পতাৰ প্ৰস্তাব আছে নেকি ?

(খ) যদি আছে, কোন কোন গাওঁত উপস্বাস্থ্য কেন্দ্ৰ পতা হব ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (জনজাতীয় উন্নয়ন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, আছে ।

(খ) বডিয়াৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত গোৰেশ্বৰ ৰাজহ চক্ৰত থকা কলং বাৰী আৰু বাধাতোৰা জনজাতীয় অঞ্চলত ১৯৮৫-৮৬ চনৰ বাবে উপস্বাস্থ্য কেন্দ্ৰ পতাৰ প্ৰস্তাৱ আছে ।

শ্ৰীপূৰ্ণ বড়ো : উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো কেতিয়া লোৱা হৈছিল আৰু যদি এই প্ৰস্তাৱটো লোৱা হৈছে তেনেহলে ইয়াৰ কাৰণে ঠাই নিৰ্ব্বাচন হৈছেনেকি ? যদি হৈছে কি ভিত্তিত ঠাই নিৰ্ব্বাচন হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : উপাধ্যক্ষ মহোদয়, এইটো আমাৰ বিভাগৰ পৰা প্ৰস্তাৱ লোৱা হৈছিল। এতিয়া এই বিষয়টো আই-টি-ডি-পিয়ে বিবেচনা কৰিব আৰু ট্ৰাইবেল এডভাইচৰী কাউন্সিলে এপ্ৰোভ কৰি দিলে স্বাস্থ্য বিভাগে কৰিব পাৰিব।

শ্ৰীপূৰ্ণ বড়ো : উপাধ্যক্ষ মহোদয়, এই উপস্বাস্থ্য কেন্দ্ৰৰ বাবে মাটি বিচৰা হৈছে নেকি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : এতিয়াই মাটি বিচৰা নাই কিয়নো ই চূড়ান্ত ভাবে নিৰ্ণয় হোৱা নাই। কেৱল প্ৰস্তাৱহে লোৱা হৈছে।

মঃ চিৰাদ্দিন : উপাধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে জনাবনে কিমান খন উপস্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা হব জনজাতীয় অঞ্চলত ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যিক পৰ্য্যায়ত ট্ৰাইবেল এডভাইচৰী কাউন্সিলৰ বিষয়া সকলেহে এইবোৰৰ সিদ্ধান্ত লয়। গতিকে তেওঁলোকে যেতিয়ালৈকে এই বিষয়ত সিদ্ধান্ত গ্ৰহণ নকৰে তেতিয়ালৈকে এইটো ঠিৰাংকৈ কোৱা টান।

শ্ৰীপূৰ্ণ বড়ো : উপাধ্যক্ষ মহোদয় মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে বংমহলত এটা উপস্বাস্থ্য কেন্দ্ৰ স্থাপনৰ কাৰণে কেইবা বছৰৰো আগতেই সিদ্ধান্ত লোৱা হৈছিল এইটো কিয় কাৰ্য্যকৰী কৰা নহল ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : ইয়াৰ তথ্য-পাতি বৰ্ত্তমান মোৰ হাতত নাই। এইটো মই পিচত তদন্ত কৰি চাম।

মঃ হাছানুদ্দিন : উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক এটা কথা জনাব খোজো যে জনজাতীয় অঞ্চলৰ বাবে যিবোৰ উপস্বাস্থ্য কেন্দ্ৰৰ কথা কোৱা হৈছে সেইবোৰ প্ৰত্যেক জনজাতীয় অঞ্চলতে সমভাৱে হোৱা নাই। উদাহৰণ স্বৰূপে গোৱালপাৰা জিলাৰ কিছুমান জনজাতীয় অঞ্চলত যি ধৰণে উপ স্বাস্থ্যকেন্দ্ৰ পাতিব লাগিছিল সেই ধৰণে নোহোৱাৰ কাৰণে জনজাতীয় ৰাইজে অসুবিধা ভোগ কৰিছে। এইটো সমভাবে কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : উপাধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এই উপস্বাস্থ্য কেন্দ্ৰৰ বিষয়টো ৰাজ্যিক পৰ্য্যায়ত ট্ৰাইবেল এডভাইচৰী কাউন্সিলত যিবোৰ প্ৰস্তাৱ আছে সেইবোৰ চালিজাৰি চাই বিবেচনা কৰা হয়। প্ৰথমতে এই প্ৰস্তাৱবোৰ জিলাৰ স্বাস্থ্য বিষয়াই স্বাস্থ্য বিভাগলৈ পঠায় আৰু তাৰ পিচতহে ইয়াৰ চূড়ান্ত সিদ্ধান্ত লোৱা হয়।

## Sub: ANGANWADI CENTRES

Shri BINOY KUMAR BASUMATARY asked:

18. Will the Minister, Social welfare be Pleased to state-

(a) The number of Anganwadi Centres established in the State upto date?

(b) The Procedure followed in appointing Anganwadis?

(c) What are the carriculams followed?

(d) Whether Bodo medium is used in predominantly Bodo inhabited areas, where such Anganwadi Centres are located?

Shri DIPAK MOORMOO (Minister, Social welfare) replied:

18. (a) 3640.

(b) The vacancies in the Posts of Anganwadis are notified in the respective Block areas by the Child Development Project Officer. A Selection Committee is Constituted with the B. D. O. CDPO and M. O. of the PHC of the Block Area. Selection is made preferably from amongst the girls candidates of the Village where the Anganwadi centre is located. Qualification prescribed for the Anganwadi workers is Matriculate but relaxation is given to Non-Matriculates on merit basis.

(c) The carriculam followed in the training of Anganwadi workers are relating to Child Development, non-formal pre-School education, Nutrition, health, Family Planning, organisation, and management of Anganwadis, community contact and community education etc.

(d) Yes, as far as practicable.

Shri Binoy Kumar Basumatari: Is the Government aware that the Chief Administrator of Udalguri Mahkuma Parishad has given a written complaint to the Government regarding the employment at the Anganwadi centres? Has the Government received any complaint.

Shri Sadhan Ranjan Sarkar (Minister): Government has not yet received any complaint.

Shri Binoy Kumar Basumatary: A copy of a complaint is with me submitted in 15th June. The Project Adviser of I C D S has demanded bribe from the candidates and he has appointed personnel who did not even appear in the interview. Will the Government look into this?

Shri Sadhan Ranjan Sarkar; A specific complaint should be given.

Shri Binoy Kumar Basumatary: Here is the complaint I am pointing out.

Shri Sadhan Ranjan Sarkar ( Minister ) : I will look into it.

Shri Prasad Doloi : Sir, In different blockes some centres have been earmarked for the Scheduled Castes and Scheduled Tribes. Is there any list with the Minister which are these centres ?

Shri Sadhan Ranjan Sarkar (Minister) : There are some blocks selected for Anganwadi Centres. I shall look into it.

## Sub : FIELD WORKERS UNDER MALARIA DEPARTMENT.

Shri Purna Boro asked :

* 19. Will the Minister, Health be pleased to state –

( a ) The number of field workers engaged by the Malaria Deptt. since the creation of the Deptt. ?

( i ) Total number in the State ? ( Districtwise break up may be shown )

( b ) Whether the field Workers are employed permanently or for temporary period ?

( c ) The length of service of the temporary ( casual ) field workers ?

( d ) Will the Government take steps to regularise the services of those who have rendered a considerable year of services ?

Dr. Bhumidhar Barman ( Minister, Health ) replied :

19. ( a ) 98 Nos.

| | | |
|---|---|---|
| ( 1 ) | Dhubri | — 9 Nos. |
| ( 2 ) | Goalpara | — 5 ,, |
| ( 3 ) | Kokrajhar | — 5 ,, |
| ( 4 ) | Barpeta | — 5 ,, |
| ( 5 ) | Kamrup | — 9 ,, |
| ( 6 ) | Darrang | — 5 ,, |
| ( 7 ) | Sonitpur | — 10 ,, |
| ( 8 ) | Lakhimpur | — 10 ,, |
| ( 9 ) | Dibrugarh | — 5 ,, |
| (10 ) | Sibsagar | — 5 ,, |
| (11 ) | Jorhat | — 5 ,, |
| (12 ) | Nowgong | — 5 ,, |
| (13 ) | Karbi Anglong | — 7 ,, |
| (14 ) | N.C. Hills | — 5 ,, |
| (15 ) | Cachar | — 5 ,, |
| (16 ) | Karimganj | — 3 ,, |
| | Total | — 98 Nos. |

(b) Out of 98 regular posts 17 posts are permanent and the rest 81 nos are temporary.

(c) The length of service of the temporary casual field workers (seasonal spray workers) is $2\frac{1}{2}$ months for each round of spray i.e. 5 (five) months for 2 (two) rounds of DDT spray in a year (as per present sanction).

(d) Posts of 17 regular field workers have already been made permanent. Proposal for the rest is under consideration of Government.

Mr. Deputy Speaker : Now Question No. 19

শ্ৰীপূৰ্ণ বড়ো : উপাধ্যক্ষ মহোদয়, এতিয়াও ৮১ জনৰ কাম টেম্পৰৰি হৈ আছে আৰু কোৱা হৈছে যে, অস্থায়ী কৰ্ম্মচাৰীয়ে কাম কৰা মাত্ৰ ২।৩ মাহ হৈছে। এই সকলক পাৰমানেণ্ট কৰাৰ কাৰণে কি ব্যৱস্থা কৰা হৈছে আৰু কেতিয়া স্থায়ী কৰা হব ?

শ্ৰীভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : এই গোটেই বস্তুটো হল আমাৰ মেলেৰিয়া প্লেনৰ আঁচনিৰ অন্তৰ্গত। এইটো পিচত নালাগিবও পাৰে। যদিহে সম্পূৰ্ণৰূপে মেলেৰিয়া নিৰ্মূল হৈ যায়। প্ৰয়োজনীয়তাৰ ভিত্তিতহে কৰা হব আৰু বাকী খিনিৰ কাম চিনিয়ৰিটিৰ বেচিচত কৰা হব।

শ্ৰীপূৰ্ণ বড়ো : এই কৰ্ম্মচাৰী সকলক বাদ দিব লগা হব পাৰেনেকি ?

শ্ৰীভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : বাদ দিয়া কথাটো ইমান সহজ নহয়। কিন্তু পাৰমানেণ্ট কৰাৰ আগতে আমি নিজে ইয়াৰ প্ৰয়োজনীয়তাৰ কথা চিন্তা কৰি চাব লাগিব।

শ্ৰীপূৰ্ণ বড়ো : এতিয়ালৈকে মেলেৰিয়া নিৰ্মূল হোৱা নাই। কৰ্ম্মচাৰী সকলে কাম কৰিয়েই আছে। গতিকে পাৰমানেণ্ট কৰি দিয়া উচিত, বাদ পৰাৰ কথাটো নহয়। পাছত অন্য বিভাগলৈ বদলি কৰি হলেও চাকৰি ৰক্ষা কৰা দৰকাৰ।

শ্ৰীভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : এইটো পৰীক্ষা কৰি চাই আছো।

Shri Binoy Kumar Basumatary : Sir, the question is very simple. There are 13 posts under General Area and some amongst them can also be given to Bodo medium schools outside TSP area. Will he clarify this position to his officers ?

শ্ৰীমুকুট শৰ্ম্মা, (শিক্ষামন্ত্ৰী) : সেইটো পৰীক্ষা কৰি চাম।

Shri Binoy Kumar Basumatary : He cannot examine the new position. My question is— will he confirm his decision to his officers ?

Shri Mukut Sarma (Minister, Education) : I have told already that we have given clear instructions to the Elementary Education Board that at the time of appointment, they should see that preferences should be given to Scheduled Castes and Scheduled Tribes. We have already given instructions and there is no necessity of giving fresh instructions.

Mr. Deputy Speaker : Mr Basumatary, instructions are there.

Shri Binoy Kumar Basumatary : I request the hon'ble Minister to understand one point. We know that there are instructions issued. But at the same time, there are some misunderstanding about the new position, as is annunciated by the hon'ble Minister. It is only my request that he should explain his position to his officers.

Shri Mukut Sarma ( Minister, Education ) : I will definitely give instructions to my officers to follow our norms that we have given earlier.

ডাঃ তাৰিণীমোহন বৰুৱা : উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে টি-এচ-পি এৰিয়াৰ কাৰণে যিখিনি শিক্ষকৰ পষ্ট মঞ্জুৰ কৰা হৈছিল সেইখিনি বড়ো মাধ্যমৰ শিক্ষকৰ কাৰণে হব লাগে বুলি বড়ো সাহিত্য সভাৰ ফালৰ পৰা এলিমেন্টেৰী এডুকেচন বোৰ্ডক দাবী জনোৱা হৈছিল। এই দাবী জনোৱা স্বত্বেও সেই পোষ্ট খিৰিত বড়ো মাধ্যমৰ শিক্ষকক নিযুক্তি দিয়া নাই। আৰু এতিয়া জানিব পাৰিছো এই পোষ্ট খিনিৰ নিযুক্তি বন্ধ কৰি থোৱা হৈছে। এইটো সচানে ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) : উপাধ্যক্ষ মহোদয়, এই পোষ্টখিনি পৰা টি-এচ-পি এৰিয়াত যিসকল উপকৃত হয় সেইটোলৈকে লক্ষ্য ৰাখি ইয়াক নিযুক্তি দিয়া হব। The beneficiary must be tribal.

ডাঃ তাৰিণীমোহন বৰুৱা : উপাধ্যক্ষ মহোদয়, এই পোষ্ট খিনিত বড়ো সাহিত্য সভাৰ ফালৰ পৰা বড়ো মাধ্যমৰ শিক্ষক নিয়োগৰ কাৰণে দাবী জনাইছে—মন্ত্ৰী মহোদয়ে এই দাবী মানি লবনে ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) : উপাধ্যক্ষ মহোদয়, সাধাৰণতে টি, এচ, পি এৰিয়াতে বড়ো ম,ধ্যমৰ স্কুল সমূহ থাকে। কিন্তু আমি এইখিনিতে এটা কথা লক্ষ্য কৰিব লাগিব এই অঞ্চল সমূহত বড়ো মাধ্যমৰ ছাত্ৰ ছাত্ৰীৰ বাহিৰেও অন্য আমাৰ

ছাত্র ছাত্ৰীও থাকিব পাৰে। তেনে ক্ষেত্ৰত সেই সকল ছাত্ৰও এই শিক্ষক নিযুক্তিৰ দ্বাৰা উপকৃত হব লাগিব।

শ্ৰীপূৰ্ণ বড়োঃ উপাধ্যক্ষ মহোদয়, টি-এচ-পি এৰিয়াৰ কাৰণে যি ১৩ টা পোষ্ট দিয়া হৈছিল তাৰ কোনো এৰিয়া বান্ধি দিয়া হোৱা নাছিল। এই ১৩ টা পোষ্টৰ বাহিৰেও যিখিনি পোষ্ট দিয়া হৈছিল সেই খিনি পোষ্ট টি-এচ-পি এৰিয়াত দিয়া হব বুলি কৈছিল। গতিকে এই পোষ্ট কেইটা কেৱল ট্ৰাইবেল লেংগুৱেজ যে ভাষা নিৰ্বিশেষে নিযুক্তি দিয়া হব আৰু সদ্যহতে যি ৫ টা পোষ্ট টি-এচ-পি এৰিয়াত আছে তাক কেৱল বড়ো মাধ্যমৰ শিক্ষকক নিযুক্তি দিয়া হবনে নহয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ): উপাধ্যক্ষ মহোদয়, জনজাতীয় ভাষাৰ স্কুল সমূহত বড়ো মাধ্যমৰ শিক্ষক নিযুক্তিত অগ্ৰাধিকাৰ পাব লাগে।

মঃ হাছান উদ্দিনঃ উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা কৈছিল কিছুমান ষ্টাইপেণ্ডেৰী শিক্ষক নিযুক্তি দিয়া হব দুশ টকাকৈ ষ্টাইপেণ্ড দি। এই শিক্ষক সকলক ষ্টাইপেণ্ড দিয়া হৈছেনে নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ): উপাধ্যক্ষ মহোদয়, এইটো মই তদন্ত কৰি চাম।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰঃ উপাধ্যক্ষ মহোদয়, সাধাৰণতে টি-এচ-পি এৰিয়াত বড়ো মাধ্যমেই হব লাগে। কিন্তু মই এটা কথা জানিব বিচাৰিছো যে এই অঞ্চল সমূহত বড়ো মাধ্যম শিকাৰ বাহিৰেও আৰু কিছুমান জনজাতীয় ভাষাৰ ছাত্ৰ আছে লোক আছে কিন্তু তেওঁলোক বড়ো ভাষাৰ নহয়। গতিকে এই ভাষা-ভাষীৰ লোক সকলক কি মাধ্যমত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছো সেইটো জনাবনে ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ): উপাধ্যক্ষ মহোদয়, এই অঞ্চল সমূহত বড়ো মাধ্যমৰ ছাত্ৰ ছাত্ৰীৰ বাহিৰেও অন্য ভাষাৰ জনজাতীয় লোক আছে, তেওঁলোকৰ কিছুমানে বড়ো ভাষা নিশিকি অসমীয়া ভাষাও শিকে, সেয়ে এইবোৰ কথালৈ লক্ষ্য ৰাখি তাত শিক্ষক নিযুক্তি দিয়া হয়।

## MATTER RELATING TO LABOUR STRIKE

Mr. Deputy Speaker : Now Shri Condpan will speak on labour strike.

Shri Silvius Condpan : Mr. Deputy Speaker Sir, I like to bring to the notice of the Hon'ble House about the sufferings more than one thousand tea workers of Deroibam Tea Estate in the District of

Sibsagar. Sir, this is a very serious situation. For last more than one month, the labourers are on strike and this management has been violating the provisions of Plantation and Labour Act. They have taken very anti-labour attitude which has resulted hardship on workers for more than one month continuous strike. There will be serious repercussion in the mind of the tea workers of other tea estates all over Assam. For the workers this will result in very serious industrial disharmony. It will affect the production. This is the peak season for the tea industry and such anti-labour attitude of the management, will keep the labourers to go on strike to fulfill their demands which are very much in accordance with the provision of Plantation and Labour Act. I do not know why this long strike has been continuing. I hope and will be grateful if Goverment come forward immedately to solve this problem.

Mr. Deputy Speaker : Now, Hon'ble Labour Minister.

Shri Rameswar Dhanowar (Minister, Labour) : Hon'ble Deputy speaker

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ( মন্ত্ৰী ) : উপাধ্যক্ষ মহোদয়, যোৱা মাহৰ ১১ তাৰিখে ডিব্ৰুগড়ৰ দিবৈবাম বাগিছাত ধৰ্ম্মঘট আৰম্ভ কৰে। এই বাগিছাখনত ৬৪৫ জন স্থায়ী মজতুৰ আছিল। তাৰোপৰি তেওঁলোকে যিটো বছেৰেকীয়া ৰিটাৰ্ন দিয়ে, সেইমতে তেওঁ ৬৪৫ জন স্থায়ী বনুৱা আছিল। কিন্তু প্ৰকৃততে সেই বাগিছাখনত ফিজিকেল ভেৰিফিকেচন কৰি দেখা গৈছে যে, তাত মাত্ৰ ১৬১ জন বনুৱাহে আছে। এই ধৰণেই প্লেনটেচন এক্টখন ভায়লেট কৰি থকা হৈছে আৰু মালিক পক্ষই কেইজনমান বনুৱা লৈ শ্ৰমিক ইউনিয়ন গঠন কৰে আৰু মজতুৰ সংঘৰ সৈতে ৫ বছৰৰ ভিতৰত ৬০ জন মান মানুহ দিচমিচ কৰে। এটা উদাহৰণ আছে এজন মানুহে বঙলাত কাম কৰি ঘুৰি আহোতে এটা সৰি থকা আম বোটলোতে তেওঁক কামৰ পৰা দিচমিচ কৰা হল। এজনৰ নামত মাটিৰ সংক্ৰান্তত প্ৰায় ৭০ টা মান পুলিচৰ কেচ দিয়া হৈছে। এই সকলোবিলাক জাল জুৱাচুৰি চাবৰ কাৰণে বনুৱাৰ সকলো বিলাক খাটা পত্ৰ বিলাক চাবলৈ নিদিয়ে। সেই কাৰণে তাত মজতুৰ সংঘই যোৱা ১১ তাৰিখৰ পৰা ধৰ্ম্মঘট আৰম্ভ কৰিছে। চৰকাৰৰ ফালৰ পৰা ১০ বছৰৰ আগৰ পৰা যিমান বিলাক ৰেজিষ্টাৰ পাতি আছিল সেই সকলো বিলাক চিজ কৰি অনা হৈছে। আৰু পৰীক্ষা নিৰিক্ষা আৰম্ভ কৰা হৈছে। ইয়াৰ বাবে চৰকাৰে ব্যৱস্থা লৈ আছে। অতি সোনকালে ইয়াৰ সমাধান কৰা হব।

শ্ৰীহেমেন দাস : মই এটা কথা বুজি পোৱা নাই । কাৰণ ৰিটান দেখুৱাইছে ৬৪৫ জন আৰু ভেৰিফিকেচনত ১৬১ জনহে পাইছে ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ( মন্ত্ৰী ) : এনুৱেল ৰিটানত ৬৪৫ জন আছে আৰু ফিজিকেল ভেৰিফিকেচনত ১৬১ জন দেখুৱাইছে । আমি ভেৰিফিকেচন কৰোতে মানুহ এজন এজন কৰি ঠিক কৰি চাইছো । একোজন মানুহৰ নাম ৭ টাকৈ আছে ।

শ্ৰীহেমেন দাস : এইবিলাক জুৱা চুৰিৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা গ্ৰহন কৰিছে ? আৰু কি শাস্তিমূলক ব্যৱস্থা গ্ৰহন কৰিছে ? এতিয়ালৈকে এইটো কিয় ক্ৰিমিনেল কেচত দিয়া হোৱা নাই ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰা ( মন্ত্ৰী ) : এইটো নিশ্চয় কৰা হব ।

শ্ৰীহেমেন দাস : চাৰ, এতিয়া কিয় কোৱা হোৱা নাই ? এই দুৰনীতি, অপৰাধৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লবলৈ কিয় সাহস কৰা নাই ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ( মন্ত্ৰী ) : উপাধ্যক্ষ মহোদয়, ইতিমধ্যে মই সদনক জনাইছোই আগতে শ্ৰম ইউনিয়নৰ বেছি কেচ লোৱা আছিল । গতিকে চৰকাৰক দৃষ্টি গোচৰ কৰা হোৱা নাই । যোৱা মাহৰ ১১ তাৰিখৰ পৰা ধৰ্ম্মঘট আৰম্ভ হল । ১০ বছৰৰ বহী পত্ৰ আনি পৰীক্ষা কৰি চাই ব্যৱস্থা কৰা হৈছে । সেইমতে ব্যৱস্থা লোৱা হব ।

শ্ৰীহেমেন দাস : উপাধ্যক্ষ মহোদয়, পৰীক্ষা হৈ গৈছে । ফিজিকেল ভেৰিফিকেশ্বন কৰিছে ১৬১ জন শ্ৰমিকৰ । সেই তাৰিখত মালিকৰ বিৰুদ্ধে তেতিয়াই কিয় শাস্তিমূলক ব্যৱস্থা লোৱা নাই ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, শাস্তিমূলক ব্যৱস্থা লোৱা হল । সেইকাৰণে কৈছো ।

Shri Binoy Kumar Ba u natary, : Since this is clear violation of Rules and a case of cheating, will the Manager be punished immediately or he will remain content in doing such mischiefs.

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, আইনমতে ব্যৱস্থা লোৱা হব ।

শ্ৰীহেমেন দাস : উপাধ্যক্ষ মহোদয়, আইনমতে ব্যৱস্থা কৰা হোৱা নাই ।

Shri Binoy Kumar Basumatary, : Mr. Deputy Speaker, Sir, we want an assurance that action will be taken against the Manager by to day itself.

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী): উপাধ্যক্ষ মহোদয়, আইনমতে ব্যৱস্থা লোৱা হব। সেইকাৰণে পৰীক্ষা কৰা হৈছে। এইটো যোৱা মাহতহে ধৰা পৰিছে।

শ্ৰীনাৰদ কুমাৰ: উপাধ্যক্ষ মহোদয়, শ্ৰম মন্ত্ৰীয়ে আইন ভায়োলেশ্বন কৰি আছে। আজি ৮, ৯ বছৰ ধৰি আগতে কৰি আছে। লেবাৰ বিভাগে কি ব্যৱস্থা লৈছে অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী): উপাধ্যক্ষ মহোদয়, এই গোটেইখিনি যোৱা মাহৰ ১১ তাৰিখে ধৰা পৰিল। সেইকাৰণে চৰকাৰে এতিয়া ব্যৱস্থা লৈছে।

Hon'ble Deputy Speaker: The Minister has already assured the House that action will be taken. Hence, let us now drop this question.

## STATEMENT ON STARRED QUESTION

The following is the position of starred questions sent to various Departments and the number of replies received from the Departments are shown against them.

| DEPARTMENT | NO. OF QUESTION | NO. OF REPLY RECEIVED |
|---|---|---|
| 1. Forest | 4 | Nil |
| 2. PWD | 7 | Nil |
| 3. Personnel | 1 | 1 |
| 4. Social Welfare | 1 | 1 |
| 5. Judicial | 1 | 1 |
| 6. Power | 2 | 2 |
| 7. Home | 1 | Nil |
| 8. Panchayat | 2 | 1 |
| 9. Education | 18 | 1 |
| 10. Health | 6 | 4 |
| 11. Flood control | 12 | 4 |
| 12. Political | 4 | 4 |
| 13. WPT&BC | 2 | 2 |
| 14. Rural Development | 4 | 1 |
| 15. Revenue | 8 | 1 |
| 16. Cultural Affairs | 1 | Nil |
| 17. MAD | 1 | Nill |
| 18. C. M. Secretariat | 1 | Nil |
| 19. Irrigation | 1 | Nil |
| 20. Agriculture | 1 | 1 |
| 21. T&CP | 1 | Nil |
| Total | 79 | 24 |

Hon'ble Deputy Speaker : Now item No. 2.

Shri Hemen Das : Sir, there is a point of order.......

উপাধ্যক্ষ মহোদয়, সাধাৰণতে আমি প্ৰশ্ন দিয়াৰ পিচত বিভাগক জনায়। মই বিধান সভাৰ সচিবালয়ত খবৰ লৈ জানিলো মন্ত্ৰী মহোদয়ৰ টেবুলত প্ৰশ্ন পৰি আছে। প্ৰশ্নটো অহা নাই। সেই কাৰণে কৈছো প্ৰশ্নটো আনি দিব লাগে।

উপাধ্যক্ষ মহোদয়, এই বিধান সভাৰ অধিবেশনৰ কাৰণে মই মাত্ৰ এটা প্ৰশ্ন দিছিলো। সেইটো এটা চৰ্ট নোটিচ প্ৰশ্ন আছিল। কিন্তু সেই প্ৰশ্নটোৱে সদনৰ মুখ নেদেখিলে। কাইলৈ বিধান সভাৰ অধিবেশন শেষ হ'ব। প্ৰশ্নটো আজিও নাহিল। ইয়াৰ কাৰণ কি জনাবনে ?

Hon'ble Deputy Speaker : Minister, Parliamentary Affairs will speak on.

Shri Abdul Muhib Mazumdar ( Minister ) : I think, it will come tomorrow. I have taken steps towards early coming of the answers to the House against the questions asked by different members of this House. Definitely, there are some difficulties in submission of the short notice questions.

Sh ri Binoy Kumar Basumatary : Mr. Deputy Speaker, Sir, you have mentioned the position of the starred question now. What will happen to those questions which has not yet been replied ? Whether the Government should be pulled up in this regard and get them repaired.

## CALLING ATTENTION NOTICE

Hon'ble Deputy Speaker · Now, item No. 2. Shri Das.

শ্ৰীহেমেন দাস : মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৮৫ চনৰ ৫ জুলাই তাৰিখৰ 'অসম ট্ৰিবিউন' কাকতত প্ৰকাশিত "চিৰিয়াচ এলিগেশ্বন এগেইনষ্ট নলবাৰী ই এন্দ দি" দিভিজন" শীৰ্ষক বাতৰিটোৰ সম্পৰ্কত বান নিয়ন্ত্ৰণ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিছো।

Hon'ble Deputy Speaker : Hon'ble Minister, Flood Control will make his statement.

Shri Ranendra Narayan Basumatary ( Minister ) : As per Rule 54 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly, the statement on the notice received from honourable Member, Shri Hemen Das, M. L. A. is furnished below :

The news item published in Assam Tribune dated 5th June, 1985 under the caption "SERIOUS ALLEGATION AGAINST NALBARI E & D DIVISION" has come to the notice of the Government.

Due to incessant and torrential rain fall in upper catchment areas combined with heavy down pour all over the state since 2nd week of September, 1984, the whole Brahmaputra Valley was engulfed with high floods. Some of the river basins, viz. Pahumara, Puthimari, Pagladia, Nocua, Motonga, Borolia, Nonoi, Kaldia etc. in Lower Assam experienced uprecedented flood with more devastation due to overtopping, breaches and severe erosion. The people of Nalbari and Rangiya Sub-Divisions were badly affected due to the breaches occured in Pagladia embankment in 18.5 K. M. and 23rd K. M. right bank. In Noona river embankment system also breaches occured in 13 K. M. 11 K. M., 15.8 K. M. and 400 Metres right bank. Similarly in Motonga embankment and Nodla embankments also breaches took place in 150 Metres and 400 Metres left bank respectively.

With a view to fighting against floods the Muster Roll Labourrers were engaged in all embankments of Nalbari E & D Division during the entire flood period. Subsequently, for temporary closure of breaches in various sections of the embankments, the Muster Roll Labourrers were also engaged to get some of the works done departmentally. The actual amount involved in engaging Muster Roll Labourrers to get the works done departmentally, has not yet been fully assessed. The Superintending Engineer, Quality Control Circle, Flood Control Department has since been detailed to make a thorough enquiryinto the matter. The enquiry is in progress and the Department will be in a position to know the actual state of affairs only after receipt of enquiry report.

It has come to our notice that the Muster Roll voucher has been stolen from the Divisional Office. The matter has already been reported to the police on 29.4.85 and the police investigation is under process. The mystery behind the aforesaid happenings will be known only after getting police investigation report.

With regard to temporary breache closing work at 23 K. M. on the right bank of Pagladia river, it may be stated that one Scheme F. D. R.

to Marginal embankment along with both banks of Pagladia from N.R. Road to Bijulighat Ph. II (temporary closing of breaches at 23rd K. M. at Balilecha)" was, taken up after the occurence of September, 1984 floods at an estimated cost of Rs. 5.12 lakhs. The expenditure incurred for the works done departmentally through Muster Roll is Rs. 1, 17,600/- ( One lakh seventeen thousand six hundred only). The total number contractor's bill amounting to Rs, 4,03,450/- for supply of empty cement bags, pallisadings etc. are not yet paid. These bills were already seized.

It has come to our notice that the the Muster Roll voucher file has been stolen from the Divisional Office. The matter has already been reported to police on 29.4.85 and the police investigation is under process. The mystery behind the aforesaid happenings will be known only after getting police investigation report.

With regard to temporary breach closing work at 23rd K. M. on the right bank of Pagladia river, it may be stated that one Scheme F.D.R. to Marginal Embankment along with both banks of Pagladia from N.R. Road to Bijulighat Ph. II (temporary closing of breaches at 23rd K.M. at Balilecha ) was taken up after the occurence of September, 1984 floods at an estimated cost of Rs. 5.12 lakhs. The expenditure incurred for the works done departmentally through Muster Roll is Rs. 1,17,600 The total number of contractor's bill amounting to Rs. 4,03,450 for supply of empty cement bags, pallisadings etc. are not yet paid. These bills were already seized by State A.C.B. for their investigation. The specification of works are as follows.

"Construction of a temporary Mohari bund for 500 meters length 2 meters wide in high ground portion and 3 meters wide in channel portion by earth filled cement bags up to one meter above danger level. The channel portion is further strengthened by 2:1 slope by loose earth with bag pitching in the slope."

Subsequently a scheme for construction of permanent retirement at an estimated cost of Rs.36.48 lakhs has been approved and the work was executed in the last working season.

Since certain portion of temporary Mohari bund fall within the seat of aforesaid permanent retirement it had to be removed. The remaining temporary portion of Mohari Bund had also to be demolished just to facilitate the drawal of earth by Bulldozer for execution of the permanent restoration of retirement bund.

Under the above back ground it is not possible to make any further enquiry at site towards the actual utilisation of empty cement bags and other items used for construction of the aforesaid Mohari bund.

As regards utilisation of empty cement bags for various flood fighting works, it may be stated that the matter is under investigation of the Superintending Engineer, Quality Control Circle, Flood Control Department as well as State Anti Corruption Branch. The actual position of utilisation of empty cement bags and payment there could not be ascertained so far. The Department will be in a position to know the real state of affairs only after receiving the final report from the Superintending Engineer, Quality Control Circle, Flood Control Department and the State Anti Corruption Branch. So, Sir' this is the position.

শ্ৰীহেমেন দাস : মোৰ প্ৰশ্নটো হৈছে কোৱালিটি কণ্ট্ৰোলে কেতিয়াৰ পৰা তদন্ত আৰম্ভ কৰিছিল আৰু কিমান চিমেণ্টৰ বস্তা কিনা বুলি ডিপাৰ্টমেণ্টে দেখুৱাইছিল। এই ৰিপোৰ্টটো দাখিল কৰিবলৈ কিমান দিন সময় লাগিব।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : ১৮-৪-৮৫ তাৰিখে কোৱালিটি কণ্ট্ৰোলক অৰ্ডাৰ দিছো। ইতিমধ্যে ইণ্টেৰিয়াম ৰিপোৰ্ট দাখিল কৰিছে যদিও মই এতিয়াও চোৱা নাই। আমি আশা কৰিব পাৰো এমাহ মানৰ ভিতৰতেই ফাইনেল ৰিপোৰ্টটো দাখিল কৰিব। এতিয়া এটা অসুবিধাই দেখা দিছে কাৰণ ষ্টেট এণ্টি কৰাপচনে ইতিমধ্যে কামটো হাতত লৈছে আৰু কোৱালিটি কণ্ট্ৰোল যিবিলাক কেচ প্ৰয়োজনীয় যিবিলাক তথ্য-পাতি চীজ কৰিছে ষ্টেএণ্টি কৰাপচনেও সেইবিলাক বিচাৰিছে। গতিকে ফাইনেল ৰিপোৰ্টটো দাখিল কৰাত কোৱালিটি কণ্ট্ৰোলৰ অসুবিধা হৈছে।

শ্ৰীহেমেন দাস : আজিকালি জেৰক্স মেচিন ওলাইছে। এঘণ্টাৰ ভিতৰতেই গোটেই বিলাক কাগজপত্ৰ চাইক্লোষ্টাইল কৰি লব পাৰে।

শ্ৰীবৰকটউল্লা : তেখেতে বৰ্ণনাত কৈছে যে মাস্তাৰ ৰোলৰ কাউণ্টাৰ ফাইলটো চুৰি হৈছে। এইটো কোন চাবডিভিজনৰ তেখেতে জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : এইটো ভালকৈ জানিব পৰা হোৱা নাই। সম্ভবত নলবাৰী চাবডিভিজনৰেই হব।

শ্ৰীবৰকটউল্লা : যদি নলবাৰী চাবডিভিজনৰ হয় তেনেক্ষেত্ৰত তাত ন্যায়িক তদন্ত চলি আছে। গতিকে সেই এচ ডি,ও জনৰ ওপৰত কিবা ব্যৱস্থা লৈছে নেকি?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : ইতিমধ্যে পুলিচৰ তদন্ত চলি আছে। নিশ্চয় তেওঁলোকে তদন্ত কৰি একো নোপোৱালৈকে এচ,ডি,ও জনৰ বিৰুদ্ধে একো নজনাকৈ বিশেষ ব্যৱস্থা লোৱাটো সম্ভব নহয়।

শ্ৰীহৰেণ তালুকদাৰ : চাৰ, এটা ক্লাচিফিকেচন বিচাৰিছো। এই কোৱালিটি কণ্ট্ৰোলে এতিয়াহে ইনভেষ্টিগেচনৰ কাম আৰম্ভ কৰিছে। আমি জনামতে কাম যেতিয়াই আৰম্ভ হয় তেতিয়াই অনুসন্ধান কৰিব লাগে। এতিয়া অনুসন্ধান কৰাৰ কাৰণে প্ৰয়োজন আছিল নেকি?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : আমাৰ সাধাৰণতে যিকোনো কাম আৰম্ভ কৰাৰ আগতে কোৱালিটি কণ্ট্ৰোলে চাব লাগে। কোৱালিটি কণ্ট্ৰোলে এপ্ৰোভ কৰাব পাচতেইহে কাম আৰম্ভ কৰিব পাৰি। এইটো এটা নৰ্মেল প্ৰচিডিওৰ। এতিয়া নলবাৰীৰ আৰু বিভিন্ন ঠাইৰ ব্ৰীজ ইত্যাদি হোৱাৰ পাচত বিভিন্ন ঠাইৰ পৰা অভিযোগ পোৱা গৈছে। সেই অভিযোগ পোৱাৰ পৰিপ্ৰেক্ষিতত কোৱালিটি কণ্ট্ৰোলক অনুসন্ধান কৰি বলৈ কোৱা হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : ১৮/৫/৮৫ তাৰিখে যিটো দিছে তাৰ আগতে কিয় চোৱা নাই সেইটো জনাবনে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : তাৰ আগতে চাইছে কিন্তু বান্ধ ইত্যাদি ভঙাৰ পাচত ৰাইজৰ ফালৰ পৰা অভিযোগ ইত্যাদি অহাত সেই অভিযোগ বিলাক তদন্ত কৰাৰ কাৰণে আৰু লগতে যিবিলাক সন্দেহৰ সৃষ্টি হৈছে সেইবিলাক তদন্ত কৰাৰ কাৰণে কোৱালিটি কণ্ট্ৰোলক তালৈ পঠিওৱা হৈছে উইথ স্পেচিফিক পাৰপোজ।

শ্ৰীবৰকটউল্লা : যিহেতু পুলিচ কেচ চলি আছে বুলি কৈছে তেনেক্ষেত্ৰত সেই চাবডিভিজনৰ বিভাগীয় বিষয়াজনৰ ওপৰত কিয় ব্যৱস্থা লোৱা হোৱা নাই।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : কথাটো হৈছে গোটেই ডি,ভিজন-টোৰ কথা কোনো এটা চাবডিভিজনক পাৰ্টিকুলাৰাইজ কৰা নাই।

## MATTER UNDER RULE 301

শ্ৰীহেমেন দাস : অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ

নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি ১৯৮৫ চনৰ পাচ জুলাই তাৰিখৰ যুগান্তৰ কাকতত প্ৰকাশিত' শিলচৰ বাননিয়ন্ত্ৰণে অৱহেলাৰ অভিযোগ শীৰ্ষক বাতৰিটোৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

চাৰ আমি সকলোৱে জানো এইবাৰ কাছাৰ জিলাত, কৰিমগঞ্জত বানপানীয়ে ভয়াবহ ৰূপ ধাৰণ কৰিছে। অকল সেইটোৰেই নহয় যে শিলচৰ টাউনৰ ভিতৰতেই ভয়াবহ ৰূপ ধাৰণ কৰিছে। এই সম্পৰ্কে বিভিন্ন শ্ৰেণীৰ মানুহে আনকি ডিষ্ট্ৰিক বাৰ এচোচিয়েচনেও কব বিচাৰিছে যে কেৱল প্ৰকৃতিয়ে এই বানপানীৰ সৃষ্টি কৰা নাই। বাননিয়ন্ত্ৰণ বিভাগো ইয়াৰ বাবে সমানে জগৰীয়া। এই সন্দৰ্ভত বাতৰি কাকতত ওলাইছে অৰুণোদয় বাতৰি কাকতত ওলাইছে, মই পঢ়ি শুনাই দিও—

"শিলচর শহরকে বন্যার হাত থেকে বাচানোর জন্য রাজ্যসরকার ১৯৮৪-৮৫ আর্থিক বছরে ১৪৯ লক্ষ টাকা মঞ্জুর করেছিল। এরমধ্যে বরাকের তীরবর্তী উত্তর কৃষ্ণপুর থেকে তারাপুর পর্যন্ত বাঁধ সংস্কার ও মেরামত করার জন্য ৫৩ লক্ষ ৯৩ হাজার টাকা, তারাপুরের বরাকের ডাওন রোধে মঞ্জুর হয়েছিল ৪৫ লক্ষ ১০ হাজার টাকা। কনকপুরে বরাকের ডাওন রোধে মঞ্জুর হয়েছিল ৪৯ লক্ষ ৯০ হাজার টাকা। সরকারী পরিকল্পনা ঠিকই ছিল। টাকাও বরাদ্দ হয়েছিল। কিন্তু কোন কাজ হয় নি।" ...............

কিন্তু আজি তাত ১ কোটি৪৯ লাখ টকা চৰকাৰে দিছে অথচ তাত কোনো কাজ হোৱা নাই। এই কাম কিয় হোৱা নাই? মুখ্যমন্ত্ৰী মহোদয় যেতিয়া ৯/৫/৮৫ ইং তাৰিখে শিলচৰলৈ গৈছিল তেতিয়া হুচেইন আহমেদ মজুমদাৰ, মহকুমা পৰিষদৰ ষ্টেণ্ডিং কমিটিৰ সভাপতি আৰু কিছুমান গণ্য মান্য ব্যক্তিয়ে লগ ধৰি তাৰ এচ, ডি, ও জনৰ দুৰ্নীতিৰ বিৰুদ্ধে অভিযোগ কিছুমান দাখিল কৰিছিল। তাৰ পাচত ২৭/৫/৮৫ তাৰিখে শিলচৰ মহকুমা পৰিষদৰ চৰকাৰে পাতি দিয়া এখন কমিটিয়ে এটা প্ৰস্তাৱ লৈছিল। তাত ২০ জন মান সদস্য উপস্থিত আছিল। সেই সকলৰ বেচি ভাগেই বোধহয় শাসক দলৰেই হব। তেওঁলোকে শিলচৰৰ বানপানী নিয়ন্ত্ৰণৰ দুৰ্নীতিৰ তদন্ত কৰিব লাগে বুলি জনাইছে। বাৰ এচচিয়েচনেও তেনে এটা প্ৰস্তাৱ দিছিল। সেই অফিচত এটা পলিটিকেল কণ্ট্ৰেক্টৰৰ চকু গঢ়ি উঠিছে। ইয়াৰ প্ৰভাৱ ইমান বেচি যে তেওঁলোকৰ বিৰুদ্ধে প্ৰস্তাৱ লোৱাৰ কাৰণে হেনো মহকুমা

পৰিষদকেই ডিজোলভ কৰি পেলালে। বাননিয়ন্ত্ৰণ বিভাগৰ দূৰ্নীতিৰ বিৰুদ্ধে তেওঁলোকে কিয় তদন্তৰ দাবী কৰিব। গতিকে মহকুমা পৰিষদখনেই ডিজোলভ হ'ল। শিলচৰৰ বানপানীৰ সৃষ্টি নায়ক হৈছে এজন এচ, ডি, ও। তেওঁক তাত ৰাৱণ বুলি কয়। এই ৰাৱণৰ অবাধ ৰাজত্ব। অসম চৰকাৰে তেওঁৰ গাৰ নাম এড়ালো লৰাব নোৱাৰে। কাৰণ তেওঁৰ পকেটত এম, এল, এ, এম, পি আৰু আনকি মন্ত্ৰীও আছে। যোৱা ৬ বছৰে হেনো এই মানুহজনক টেঞ্চফাৰ কৰিব পৰা নাই। ১১ বাৰ টেঞ্চফাৰ অৰডাৰ হৈছে আৰু ১১ বাৰেই ষ্টে হৈছে। পিচত যেনিবা ট্ৰেঞ্চফাৰ হ'ল যদিও হাইলাকান্দিলৈকেহে হ'ল। তেওঁক বিভাৰ বিচাৰ্চ ডিচপুৰলৈ টেঞ্চফাৰ কৰিছিল কিন্তু সেইটোও নহ'ল। শেষত হাইলাকান্দিতহে থাকিল। কথটো হৈছে যে যি অভিযোগ আহিছে সেই অভিযোগৰ নিশ্চয় কিছু সত্যতা আছে মোৰ হাতত থকা বাতৰি কাকত কেইবাখনতো ওলাইছে, মই বাতৰি কাকতৰ পৰা পঢ়ি দিও --

"আপনারা যে ভাবে বাধা দিচ্ছেন তাতে আমি একজন এস্ ডি ও'কে বদলি করতে পারছি না "

আটাই বিলাকেই বন্দী হৈ আছে। কথাটো হৈছে টকা বিলাক খৰচ হৈছে, ৪৫ লাখ টকা মঞ্জুৰ কৰিছিল। কিন্তু টকাতো খৰচ হোৱা নাই। ইমানখিনিৰ পাচতো সেই এচ, ডি,ও জনৰ বিৰুদ্ধে কোনো শাস্তিমূলক ব্যৱস্থা লোৱা দূৰৰ কথা তেওঁক ওচৰতেই বদলি কৰিছে। বদলি কৰোতে কিবা শাস্তিমূলক ব্যৱস্থা নেকি? এই ৰাৱণ জনৰ হেনো চপিং কমপ্লেক্স আছে, হোটেল আছে আৰু বহুতো মাটি অছে। এজন এচ, ডি,ওৰ দৰমহা কিমান সেইটো চালেই জল জল পট পটকৈ ওলাব। যেনেকৈ বেলি পুব ফালে উদয় হয় সেইটো সকলোৱে জানে। ঠিক তেনেকৈ এই ৰাৱণ জনৰ দূৰ্নীতি জল জল পট পটকৈ দেখা স্বত্বেও কোনো শাস্তিমূলক ব্যৱস্থা লব পৰা নাই। এবাৰ নহয় দুবাৰ নহয় ১১ বাৰ ট্ৰেন্সফাৰ হৈও তেওঁ ষ্টে হল। মই জনা মতে মন্ত্ৰী মহোদয়ে এতিয়াও চহী দিয়া নাই। এইবাৰো ৰাৱণ বন্দী নহল। মাত্ৰ তেওঁ হাইলাকান্দিলৈহে ট্ৰেন্সফাৰ হ'ল। এই বছৰ ১ কোটি ৪৯ লাখ টকা দিছে। এইটো টকা কম নহয়। ইয়াত লিখিছে ৪৫ লাখ টকা। কিন্তু কাজ একো হোৱা নাই। বাতৰি কাকতত লিখিছে কোনো কাম হোৱা নাই। কিছু কাজ হৈছে যদিও শতকৰা ৭৫ ভাগেই হোৱা নাই। এদল গুণ্ডাই জোৰ কৰি ফলচ বিল চহী

কৰিবলৈ বাধ্য কৰায়। আনকি ঘৰত গৈও ধমকি দিয়ে। আমাৰ মন্ত্ৰী জগন্নাথ সিংহৰ ঘৰৰ সন্মুখত এক ককাল পানী হৈছে। এই যে বানপানী হল ইমান মানুহক শাস্তি দিলে যাৰ কাৰণে লাখ লাখ টকা চৰকাৰে সাহায্য দিব লগা হৈছে ইয়াৰ কাৰণে শতকৰা ৫০ ভাগ অপচয় হৈছে কেইজনমান বাননিয়ন্ত্ৰণ বিভাগৰ কৰ্ম্মচাৰীৰ কাৰণে।

Shri Jagannth Sinha (Minister) : I object to it.

Shri Hemen Das : You have the right to object.

গতিকে অসম চৰকাৰৰ পৰা শিলচৰ জনসাধাৰণে সুবিধা পোৱা নাই। কেইজনমান ৰাজনৈতিক নেতাৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে এই টকা পইচা বিলাক চৰকাৰে দি থাকিব লগা হৈছে। শিলচৰত হোৱা বানত লক্ষ্যাধিক জনসাধাৰণক যি শাস্তি দিয়া হল সেই শাস্তি দিয়াৰ অধিকাৰ এই চৰকাৰৰ নাই। এই চৰকাৰে চাৰিজন ৰাজনৈতিক নেতাৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে শিলচৰত লক্ষ্যাধিক জনসাধাৰণক শাস্তি দিয়াটো অতিশয় অন্যায় হৈছে। গতিকে মই দাবী কৰিছো এই সম্পৰ্কত এটা বিশেষ তদন্তৰ প্ৰয়োজন। মন্ত্ৰী মহোদয়ে হয়তো কব যে কোৱালিটি কণ্ট্ৰোলৰ দ্বাৰা তদন্ত কৰা হৈছে বা চিফ ইঞ্জিনিয়াৰৰ দ্বাৰা তদন্ত কৰা হৈছে, এইবিলাক কথা আমাক নেলাগে। আমাক লাগে চি, বি, আই, ৰ দ্বাৰা এটা ভাল তদন্ত হব লাগে। এইখিনিকে কৈ মই বিষয়টো উংথাপন কৰিলো।

শ্ৰীৰনেন্দ্ৰ বসুমতাৰী (মন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে যি কেইটা অভিযোগ উংথাপন কৰিছে সেই কেইটালৈ যোৱাৰ আগতে মই শিলচৰত হোৱা বান পৰিস্থিতিৰ সম্পৰ্কত পৰিবেশিক অৱস্থা ব্যাখ্যা কৰিব বিচাৰিছো।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ দক্ষিণে অৱস্থিত বৰাক উপত্যকা প্ৰস্থই প্ৰায় ৪০-৫০ কিলো মিটাৰমান। মনিপুৰৰ পাৰ্ব্বত্য অঞ্চলৰ পৰা ওলাই দক্ষিণা-পশ্চিমা কৈ টিপাই মুখ পৰ্য্যন্ত এটা ঠেক উপত্যকাইদি বৈ আহি জিৰি বামৰ ওচৰত সমতলত সোমায়। তাৰ পাচত পশ্চিম মুৱা হৈ ভাঙ্গাৰ ওচৰত কুচিয়াৰা আৰু লুৰমা নামে দুভাগত বিভক্ত হয়। সুচমাৰ পুৱপাৰে আৰু কুচিয়াৰাৰ দক্ষিণ পাৰেই বৰ্ত্তমান অসমৰ সীমা। বৰাক উপত্যকাৰ মাজেদি বৈ যাওতে উত্তৰৰ পৰা জিৰি চিৰি, মধুৰা, জাটিঙ্গা, হাৰাং, কালা নৈ আৰু গুমৰা আৰু দক্ষিণৰ পৰা সুমৰা, ৰকনী, কাটাখাল, ধলেশ্বৰী, চিংলা আৰু লংগাই ইয়াত আহি লগ লাগে।

প্ৰতিকূল ভূ-ভাগ ( Adverse topography ) আৰু প্ৰচুৰ বৃষ্টিপাতৰ ফলত বৰাক উপত্যকা প্ৰায়ে বান পানীৰ কবলত পৰে। যোৱা পাচঁ দশকৰ ভিতৰত ১৯২৯, ১৯৩৮, ১৯৪৬, ১৯৪৮, ১৯৫১, ১৯৫৩, ১৯৬২, ১৯৬৬, ১৯৬৯, ১৯৭৬ আৰু ১৯৮৪ চনত এই উপত্যকাত ডাঙৰ বানপানী হৈছিল।

এইবছৰ জুন মাহত হোৱা বানপানী উক্ত ডাঙৰ বানপানী বিলাকৰ মাজত অন্যতম যাৰ ফলত কাছাৰ আৰু কৰিমগঞ্জ জিলাক সামৰি সমগ্ৰ বৰাক উপত্যকাই প্ৰাকৃতিক দুৰ্যোগৰ সৃষ্টি হয় আৰু শিলচৰকে ধৰি গোটেই বৰাক উপত্যকাৰ বিস্তৃত এলেকাত অশেষ ক্ষতি হয়।

বৰাক নৈৰ অববাহিকা অঞ্চলত ধাৰাসাৰ বৰষুণৰ ফলত এই নৈ ১৭ জুন ৰাতিপুৱাৰ পৰা প্ৰবলভাৱে বাঢ়ি সেই দিনাই বিপদসীমা ( ১৯.৮৩ মি: ) অতিক্ৰম কৰে আৰু ১৯ জুনৰ দিনা ইয়াৰ জলপৃষ্ঠৰ উচ্চতা ১৯৬৬ চনৰ সৰ্ব্বোচ্চ উচ্চতা ২১.০৮ মি: ) চেৰাই গৈ ২১.৪৫ মি: পাই গৈ। বৰাকৰ লগে লগে ইয়াৰ আন বিলাক উপনৈ ৰুকনী, সোনাই, কাটাখাল, আদি আৰু কৰিমগঞ্জ জিলাৰ কুচিয়াৰা, লংগাই আৰু চিংলাতো তেনেদৰেই বাঢে আৰু প্ৰায় বিলাকৰেই জলপৃষ্ঠাৰ উচ্চতাই আগৰ বছৰৰ উচ্চতাক চেৰাই যায়।

এই বান পানীৰ ফলত বৰাক মঠাউৰী বাৰেৰা Weaver's Colony ৰ ওচৰত ওপৰেদি পানী বাগৰাৰ ফলত ভাগে, কালীবাৰী চৰৰ মঠাউৰিৰ ওপৰেদি আৰু সালুগ্ৰামৰ 'flood wall'ৰ উপৰেদিও পানী বাগৰে, শিলচৰ ওচৰৰ বৰজুৰাইত দুৰ্ব্বৃত্তই মঠাউৰি কাটি দিয়ে। ইয়াৰ ফলত পানী সোমাই শিলচৰ নগৰৰ বহুতো এলেকা প্লাবিত হয়। তাৰোপৰি অন্নপূৰ্ণা ঘাটৰ ওচৰৰ পৰা ৰেলষ্টেচনলৈকে এইছোৱাত বান্ধ নথকাৰ ফলত বিশেষকৈ এই ফালেদি পানী বাগৰি আৰু লগতে তাৰাপুৰৰ ওচৰৰ বান্ধৰ পৰা ৰেলবিভাগৰ অঞ্চলৰ ফালে থকা dovel bund টোও ভাগি নগৰৰ পশ্চিমা অঞ্চলত পানী সোমাবলৈ লয়। তেনেকৈ বান্ধ ভগাৰ ফলত বা নৈৰ পাৰ বাগৰি বৰাক উপত্যকাৰ বিস্তৃত অঞ্চল জলমগ্ন হয়। তলত উল্লেখ কৰা মঠাউৰী ভগা আৰু কটাৰ হিচাবৰ পৰাই এই বাণ পানীৰ প্ৰাবল্যৰ কথা অনুমান কৰিব পাৰি।

ভগা অংশ

| | |
|---|---|
| বৰাক মঠাউৰী | ৫টা |
| লংগাই | ২,, |
| চিংলা | ২,, |
| সোণাই | ২ টা |
| কাটাখাল | ১১ " |
| ঘুৰুলচেৰা | ২ |
| | ২৪ টা |

| | |
|---|---|
| কটা অংশ | |
| বৰাক মঠাউৰী | ৮ টা |
| নুকুল চেৰা | ৩ |
| লংগাই | ২ |
| | ১৩ । |

এইটো সচাঁ নহয় যে, এই বানপানীৰ সময়ত ৰাইজক সতৰ্ক কৰি দিবৰ কাৰণে ব্যৱস্থা লোৱা হোৱা নাই । ১৮ জুন তাৰিখে বৰাকনৈৰ পানী বিপদ সীমাৰ প্ৰায় ১-মিটাৰ ওপৰত উঠাৰ সময়ত শিলচৰ সংমণ্ডলক কাৰ্য্যবাহী অভিযন্তাই কালীবাৰীৰঘে অঞ্চলৰ বাসিন্দা সকলক সতৰ্ক কৰি দিবৰ বাবে জিলাৰ উপায়ুক্তক অনুৰোধ কৰে আৰু সেইমতে সেইদিনা ৰাতি সেই অঞ্চলৰ লোক সকলক সতৰ্ক কৰি দিয়া হয়। ১৯ জুন তাৰিখলৈ জলপৃষ্ঠৰ উচ্চতা আৰু বৃদ্ধি পায়। গতিকে তেনে অৱস্থাত মঠাউৰিৰ ভিতৰ অঞ্চললৈ সোমোৱা পানী ৰোধ কৰাৰ কোনো তৎকালীন ব্যৱস্থা লোৱা সম্ভৱপৰ নাছিল। বৰ্ত্তমান এই ভগা আৰু কটা অংশ বিলাকৰ পুনৰ মেৰামতিৰ কাম পূৰ্ণোদ্যমে চলি আছে যাতে আগৰ বানপানী এই অংশ বিলাকেদি পুনৰ সোমাব নোৱাৰে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে যোৱা বানপানীত মঠাউৰী ভগা আৰু কটাৰ কাৰণ সমূহ নিৰ্ণয় কৰি তাত প্ৰতিকাৰ ব্যৱস্থা দিবলৈ আৰু ১৯৮৪-৮৫ চনৰ শিলচৰ বান নিয়ন্ত্ৰণ সংমণ্ডললৈ মঠাউৰী মেৰামতিৰ বাবদ দিয়া ধনৰ অযথা ব্যৱহাৰ সম্পৰ্কে হোৱা অভিযোগৰ অনুসন্ধান কৰিবলৈ ইতিমধ্যে চৰকাৰে এখন উচ্চ ক্ষমতা সম্পন্ন বিভাগীয় তদন্ত কমিটি গঠন কৰি দিছে। তদন্তৰ ৰিপোৰ্ট অনুযায়ী চৰকাৰে বিহিত ব্যৱস্থা লব।

বানপানীৰ পৰা আশু উপশম দিবলৈ সীমিত বৃদ্ধিৰে বৰ্ত্তমানলৈ অসমত বান প্ৰতিৰক্ষাৰ আচনিহে লব পৰা হৈছে। স্থায়ীভাবে বান নিয়ন্ত্ৰণ কৰিবলৈ হলে জলাধৰ আচনিৰ আৱশ্যক। বৰ্ত্তমানে চৰকাৰৰ ওপৰত টিপাইমুখত স্থায়ী-জলাধাৰ নিৰ্মাণৰ আচনি কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। এই আঁচনি কাৰ্য্যকৰী হলে শক্তি, জলসিঞ্চন আদিৰ উপৰিও বৰাক উপত্যকা বানপানীৰ কবলৰ পৰা মুক্তি পাব বুলি আশা কৰা যায়।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই যিজন এচ, দি, ও, ৰ কথা উল্লেখ কৰিছে সেইজন এচ, দি, ও, ইতিমধ্যে স্থানান্তৰ কৰা হৈছে। তেখেতক বৰাক উপত্যকাৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকা বিভাৰ ৰিচাছলৈ বদলি কৰা হৈছে।

তেওঁক ব্ৰহ্মপুত্ৰ উপত্যকাৰ ডিৰেক্টৰ অব ৰিভাৰ ৰিচাৰ্চ অফিচলৈ বদলি কৰা হৈছে আৰু হাইলাকান্দি বা অন্য ঠাইলৈ বদলি কৰাৰ কোনো প্ৰস্তাৱ চৰকাৰৰ হাতত নাই। মাননীয় সদস্যই যিটো কথা কৈছে তাৰ উত্তৰত কবলৈ বাধ্য হৈছো যে বিৰোধী পক্ষৰ মাননীয় সদস্য এজনৰ ফালৰ পৰা তেনেকুৱা প্ৰস্তাৱ আহিছে যে সেইজন এচ,ডি, অক হাইলাকান্দিলৈ দিব লাগে বুলি। নামটো কোৱাটো উচিত বুলি ভবা নাই। তথাপিও মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে কোৱাটো ভাল হব যে তেখেতক ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা বৰাক উপত্যকালৈ পুনৰাই বদলি কৰাৰ প্ৰস্তাৱ নাই। কাৰণৰ শিকলিত আবদ্ধ হোৱাটোত চৰকাৰৰ ইচ্ছা নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মই কাছাৰ জিলাৰ ক্ষতিগ্ৰস্ত অঞ্চল পৰিভ্ৰমন কৰিছো। মাননীয় সদস্য শ্ৰীআলটাফ হুচেইন মজুমদাৰ, শ্ৰীনুৰুল হক চৌধুৰী আৰু শ্ৰীদীনেশ গোৱালাৰ লগত অস্বাভাৱিক বানপানী কেনেকৈ হল, কাৰ দোষত হল এই বিষয়ে আলোচনা হৈছিল। তাৰ পিচত ৰাজ্যসভাৰ সদস্য শ্ৰীঅমলেন্দু চক্ৰৱৰ্তী, জিলা কংগ্ৰেছৰ সভাপতি আৰু অন্যান্য নেতৃবৃন্দই পৰামৰ্শ দিছে।

শ্ৰীহেমেন দাস: যি স্থানত দুৰ্ঘটনা হৈছিল, বান্ধ ভাঙিছে তালৈ এম, পি আৰু এম, এল, এ কোন গৈছিল?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী): মালগ্ৰামলৈ গৈছিলো। নিজৰ সমষ্টিত নপৰা সকল যোৱা নাই। মালগ্ৰাম শিলচৰ টাউনৰ ভিতৰত। স্লুইচ গুৱাঙ্গৰ ওপৰেদি পানী আহিছে আৰু ভাঙি দিছে। ক্ষতিগ্ৰস্ত অঞ্চল পৰিভ্ৰমন কালত বান নিয়ন্ত্ৰণ বিভাগৰ চেক্ৰেটেৰী, এডিচনেল চিফ ইঞ্জিনিয়াৰ, এচ, ই আৰু কাৰিকৰী অভিযন্তা আছিল। গোটেই অভিযোগ আৰু বাৰ এচচিয়েচনৰ ফালৰ পৰা যি দাবী কৰিছে সেইবিলাক পাইছো। এই গোটেই অভিযোগ বিলাকত উল্লেখ আছে যে কাছাৰত যিটো বানপানী আহিল এইটো এটা প্ৰাকৃতিক কাৰণত হোৱা নাই, বান নিয়ন্ত্ৰণ বিভাগৰ কিছুমান বিষয়াৰ গাফিলতিৰ কাৰণে হোৱা বুলি অভিযোগ উত্থাপন কৰিছে যদিও এতিয়ালৈ গ্ৰহণ কৰা সম্ভৱ হোৱা নাই। এতিয়া উচ্চ ক্ষমতাসম্পন্ন কমিটি হৈছে কাছাৰৰ এডিচনেল চিফ ইঞ্জিনিয়াৰৰ নেতৃত্বত নহয়। বিভাগীয় চিফ ইঞ্জিনিয়াৰৰ নেতৃত্বত আৰু লগত সহায় কৰাৰ কাৰণে কুৱালিটি কন্ট্ৰলৰ এচ, ইক লৈ বিভাগীয় কমিটি গঠিত হৈছে। এই কমিটি অতি সোনকালে কাছাৰলৈ যাব। ইতিমধ্যে কাছাৰৰ শিলচৰ ডিভিজনৰ এই অভিযোগৰ লগত সম্পৰ্ক থকা বা তেনেকুৱা উল্লেখ থকা অভিযোগৰ সমস্ত কাগজ পত্ৰ ইতিমধ্যে চিজ কৰাৰ কাৰণে চৰকাৰৰ ফালৰ

পৰা অৰ্ডাৰ দিছো। এই কমিটিয়ে দুই মাহৰ ভিতৰত তদন্তৰ ৰিপোৰ্ট দাখিল কৰিব আৰু এমাহৰ ভিতৰত ইন্টেৰিম ৰিপোৰ্ট দাখিল কৰিব আৰু তাৰ ওপৰত ব্যৱস্থা লব পাৰিম।

Shri Altaf Hussain Mazumdar : Mr Deputy Speaker, Sir, certain observations have been made by the Hon'ble Member, Shri Hemen Das, and I think he wanted to say that the Mahkuma Parishad was dissolved due to their criticism of flood control department and its lapses regarding floods in Silchar. It is not correct, the dissolution proposal was initiated much before floods on certain allegations and records of the Panchayat Deptt. will support it. It is not correct to say that due to severe criticisms regarding flood control department the Silchar Mahkuma parishad had been dissolved.

Secondly sir, you will be glad to know that it was the congress M. L .As. who made complaints about irregularities and other lapses committed by certain officers of the Flood Control Deptt.. It was the congress M. L. As. who pressed their demand for a high power enquiry into the circumstances leading to high floods and so on. Let the impression be not created that the Congress M L. As. did not take any active role in this matter. An impression is sought to be created by my colleague in the opposition, Shri Das, that while the Minister went to see the flood situation in the affected areas, the M. L. As. did not accompany. Sir, we accompanied the Hon'ble Minister for Flood control when he visited in our respective constituencies. I myself accompanied him when he visited my constituency affected by floods. However, when he visited other constituencies affected by floods, I did not accompany, but the concerned M. L. As. accompanied him. So it is not correct to say that the congress M. L. As. did not accompany the Minister during the time of his visit after floods in Cachar.

শ্ৰীপূৰ্ণ বড়ো : মন্ত্ৰী মহোদয়ে কৈছে যে বান্ধ ভাঙিছে ২৪ ঠাইত আৰু কাটি দিয়া হৈছে ১৩ ঠাইত। এইটো ঠিকাদাৰে কাটিলে নে অন্য কোনোবাই কাটিলে তাৰ বিচাৰ হলনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী : গোটেই কথাবিলাক তদন্ত কমিটিত দিছো।

পানী মঠাউৰীৰ ওপৰেদি বাগৰি আহিছে আৰু অস্বাভাৱিক পানী হোৱাৰ কাৰণে মঠাউৰী দুৰ্ব্বল হৈ যায় আৰু কিছুমান দুৰ্ব্বলতম অংশ ভাঙি পৰে। কিছুমান ঠাইত আবদ্ধ হৈ থকা পানী ওলাই গলে উপশম পাব বুলি বান্ধ কাটি দিছে। পানীয়ে নিৰ্দ্দিষ্ট লেভেল মেইনটেইন কৰে আৰু কাটি দিলেও পানীৰ পৰা উপশম পাব বুলি আশা কৰিব নোৱাৰি। এই গোটেই কথাবিলাক যাতে তদন্তত ধৰা পৰে তাৰ কাৰণে টাৰ্মচ্ এণ্ড কণ্ডিচন দিছো। এফ, ডি, আৰৰ যি টকা চেংচন হৈছে সেই টকা ঠিকমতে সদব্যৱহাৰ হোৱা নাই বুলি অভিযোগ উঠিছে। মাননীয় সদস্য গৰাকীক কৈছো যে এই বিলাক চাব। পানী বান নিয়ন্ত্ৰণ বিভাগৰ দোষৰ কাৰণে মঠাউৰী ভাঙি সোমালনে আন বেলেগ কাৰণত ভাঙিল, এই সম্পৰ্কে তদন্ত কৰা হব। মাননীয় সদস্য শ্ৰীআলটাফ হুচেইন মজুমদাৰ তেখেতৰ সমষ্টিলৈ মোৰ লগত গৈছিল। তেখেত মোৰ লগত আছিল আৰু মূল্যবান পৰামৰ্শ আগবঢ়াইছে।

শ্ৰীহেমেন দাস: উপাধ্যক্ষ মহোদয়, মই এটা প্ৰশ্নৰ স্পষ্টীকৰণ বিচাৰিছোঁ, তাত কোনোবা এজন অফিচাৰ আছে যিজনক ২৯ হেজাৰ টকা খোৱাৰ অপৰাধত দোষী সাব্যস্ত কৰাত তেওঁ হাই কৰ্টত কেচ কৰিছে সেই অফিচাৰ জন তাত কি ৰেংকত আছে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী): এই বিষয়ৰ তৎকালীন খবৰ মোৰ হাতত নাই, মই খবৰ কৰি ব্যৱস্থা লম।

শ্ৰীহেমেন দাস: অভাৰচিয়েৰ নে এচ, ডি, অ' এই বিষয়ে একো কোৱা নাই সেই জনেই নেকি সেই মানুহজন যিজনে ২৯ হেজাৰ টকা খোৱাৰ কেচ এটাত দোষী সাব্যস্ত হৈছিল আৰু এতিয়া হাইকৰ্টত কেচ চলি আছে?

Shri Sadhan Ranjan Sarkar (Minister): Sir, we oppose it as it is objectionable and this cannot be allowed.

শ্ৰীতজমুল আলি লস্কৰ: মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় তাঁর জবাবে উল্লেখ করেছেন যে বিরোধী দলের একজন সদস্য এই তথাকথিত রাবণকে হাইলাকান্দিতে বদলী করার জন্য সুপারিশ করেছেন। সেই সদস্য আমি নিজে এবং তার জন্য আমি স্পষ্টীকরণ দিতে চাই।

মহোদয়, হাইলাকান্দিতে এই বিভাগের ২ জন এসডিও আছেন। একজন একজিকিউটিভ ইঞ্জিনীয়ার যিনি ছিলেন তিনি এই বন্যার আগেই মারা

গিয়েছেন এবং পদটি বেশ কিছুদিন যাবৎ খালি পড়ে আছে ফলে বিভাগের কাজে জনসাধারণের বেশ অসুবিধা হচ্ছে। এই জন্যই আমি মন্ত্রী মহোদয়ের সঙ্গে দেখে করে রাগ করে বলেছিলাম যে সে যেই হউক আমোদের এখানে এতদিন যাবৎ একজন অফিসার যখন দিতে পারছেননা একেই আমাদের এখানে দিয়ে দেননা কেন? আমি একে ঠিক করবো। আমাদের মন্ত্রী মজুমদার সাহেবও ছিলেন তখন। আসলে অফিসার নষ্ট হওয়ার জন্য সদস্য দায়ী না রাজনৈতিক কর্মীরা দায়ী। এমপি এম এল এ নিয়ে ২০।৩০ জনের দল এসে ৫।১০ হাজার টাকার ভুয়া বিল নিয়ে যায়। মাননীয় সদস্য শ্রীদাস বলেছেন যে গত ৯ই মে তে কোনও কাজ না করে হাজার হাজার টাকার ভুয়া দেওয়া হয়েছে। আমি মুখ্যমন্ত্রী মহাশয়কে অনুরোধ করবো যে তিনি যেন বিভাগের অফিসার দিয়ে তদন্ত না করান-পুলিশ দিয়ে তদন্ত করলে আসল তথ্য বের হবে। রাবণ বিভাগের অফিসার তদন্ত করতে আসলে তারা তাদের রয়েলটি নিয়ে চলে যাবে। তদন্ত আর হবেনা।

সেজন্য, মহোদয়, আমি বলতে চাই যে এই রাবণের ব্যায়পারে আমার কোনও দুর্বলতা নেই। আমি আগেও এই বিধানসভার বলেছি যে বরাকভেলীর সমস্ত অফিহারকে এই ব্রহ্মপুত্র ভেলীতে যেন ট্রেন্সফার করা হয় এবং এখানকার সমস্ত অফিসারকে যেন সেখানে নেওয়া হয়। এতে দূর্নীতি অনেক কমবে। কিন্তু মুখ্যমন্ত্রী তা করবেননা কারণ দলের সদস্য, রাজ্যসভার সদস্য-এরা তা করতে দেবেনা।

..............( গোলমাল )...........

মৌলানা আব্দুল জলিল চৌধুরী : মহোদয়, একটা কথা আমি এই সদনে বলতে চাই যে মাননীয় সদস্য শ্রীতজমূল আলি লস্কর সাহেব যে বলেছেন যে তিনি রাগ করে মন্ত্রী মহোদয়কে বলেছিলেন যে এই রাবণকেই হাইলাকান্দিতে বদলি করা হোক না কেন-সে কথার সত্যতা আপনারা বুঝবেন।

আমিও মাননীয় মন্ত্রী শ্রীমুহিব মজুমদার সাহেব যখন শুনলান যে এই কনডেমনড অফিসারকে হাইলাকান্দিতে বদলী করা হবে তখন আমারা মুখ্যমন্ত্রীর সংগে দেখে করলাম। তখন কথা প্রসঙ্গে আমি মুখ্যমন্ত্রীকে বলেছিলাম যে শ্রীমেধি যখন মুখ্যমন্ত্রী ছিলেন তখন আমি তাঁকে বলেছিলাম যে বরাকভেলীর সব কনডেমনড অফিসারকে ব্রহ্মপুত্র ভেলীতে এবং এখানকার সব কনডেমনড

অফিসারকে বরাকভেলীতে যেন বদলী করা হয়। এতে দুর্নীতি কিছু হয়ত রোধ হবে। এছাড়া আমরা লক্ষ্য করেছি যে অফিসার কয়েকজন বদলী হলে কিছু লোকের যেন ঈদ আরম্ভ হয়।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী): উপাধ্যক্ষ মহোদয়, শ্ৰীতজমুল আলি লস্কৰ ডাঙৰীয়াই কোৱালিটি কন্ট্ৰলৰ কথা কৈছে, এই বিভাগে তদন্তৰ ব্যৱস্থা লৈছে, কিন্তু ৰয়েলিটিৰ যিটো কথা কৈছে সেইটো গ্ৰহণযোগ্য নহয়।

শ্ৰীতজমুল আলি লস্কৰ: হয়, কোৱালিটি কন্ট্ৰল বিভাগে বহুত অনুসন্ধান কৰিছে।

Mr. Deputy Speaker: The remarks made by the Hon'ble Member Shri Tazomul Ali Laskar are to be withdrawn and this portion is expunged from the record.

( Quality control will simply assist )

## LAYING OF REPORT

Mr. Deputy Speaker : Now Item No. 4.

Shri Abdul Muhib Mazumdar (Minister) : Sir, I beg to lay the Report of the Comptroller and Auditor General of India for the year 1982-83 and Finance Accounts for the year 1982-83. Government of Assam.

## DISCUSSION UNDER RULE 50

Shri Hemen Das : Sir I beg to raise a discussion under Rule 50 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly on a matter of public importance regarding the recent flood in Cachar District.

Mr Deputy Speaker : According to Rule 50, $\frac{1}{2}$ hours will be given for discussion. You know, time is very short, and there are several agenda items. So, I request the hon'ble members including Shri Das to cope with the time.

শ্ৰীহেমেন দাস: উপাধ্যক্ষ মহোদয়, মই শিলচৰৰ কথা কৈ গৈছো এতিয়া কাছাৰৰ কথা কম। বাননিয়ন্ত্ৰনৰ কাৰণে ৬ষ্ঠ পঞ্চম বাৰ্ষিক পৰিকল্পনাত বৰাক উপত্যকাৰ কাৰণে ১৫ কোটি ১৪ লাখ ৮০ হাজাৰ টকা ধৰা হৈছে। আজি অকল শিলচৰ বুলিয়েই নহয় হাইলাকান্দিও উন্নত নহয়, কৰিমগঞ্জও

উন্নত নহয় কাছাৰো উন্নত নহয়। কাছাৰত সেই ১৫ কোটি ১৪ লাখ ৮০ হাজাৰ টকাৰ শতকৰা ৭৫ ভাগো যদি তাত খৰছ কৰিলহেতেন তেতিয়া হলে আজি জনসাধাৰনে ইমান কষ্ট ভোগ কৰিব নালাগিল হেতেন। তাত যে দুৰ্নীতি আছে সেই কথা বিভিন্ন বাতৰি কাকত বা সংগঠনে কৈ আছে। কিন্তু ফলহে ধৰা নাই। মই আমাৰ মাননীয় সদস্য আলটাফ হুচেন মজুমদাৰৰ দৰে কৰ খোজা নাই কিন্তু মই কব খুজিছোঁ যে তাত এটা চক্ৰ আছে। এই দুষ্ট চক্ৰটোৱেই এইবিলাক নিয়ন্ত্ৰণ কৰি আছে।

১৯৮০-৮৫ চনলৈকে ১৫কোটি ১৪লাখ ৮০হাজাৰ টকা কত কেনেকৈ খৰছ কৰিলে আৰু কাম কিমান হৈছে এই বিলাক তদন্ত কৰাৰ দায়িত্ব লব লাগে। এই তদন্তৰ কাৰণে অকল সংশ্লিষ্ট বিষয়াই যথেষ্ট নহয়, অসম চৰকাৰো যথেষ্ট নহয়, কাৰণ চিনাকী মানুহ বা বান্ধ আদি আহি ধৰিব তেতিয়া তদন্ত নিৰপেক্ষভাৱে কৰা সম্ভৱ নহ'ব। সেয়ে সেই দায়িত্বটো অসম চৰকাৰে চি, বি, আইৰ হাতত তুলি দিয়াই উচিত হব বুলি ভাবোঁ।

এইবাৰ হাইলাকান্দিৰ কথালৈ আহোঁ। ভাল লাগিছে ছাৰ, আমাৰ বান নিয়ন্ত্ৰন বিভাগে একো নকৰিলেও চিভিল এডমিনিষ্ট্ৰেচনে এটা কাম হাতত লৈছে। বুলি দিবাকৰ নামৰ বাতৰি কাকত এখনত প্ৰকাশ হৈছিল এই বাতৰিটো হৈছে "হাইলাকান্দি বন্যা নিয়ন্ত্ৰণ বিভাগেও পুকুৰ-চুৰি" কিন্তু বাতৰি কাকতত ওলোৱাৰ পিছত বাননিয়ন্ত্ৰন বিভাগে কি কৰিছে নাজানো, হাইকোৰ্টে কিন্তু নিজেই এটা বিচাৰ লৈছে, আৰু এটা আদেশো জাৰি কৰিছে হাইলাকান্দিৰ ন্যায়াধীশ গোবিন্দ পালে এটা ব্যৱস্থা হাতত লৈছে। পুকুৰ চুৰি কি সাংঘাতিক ব্যৱস্থা, তেওঁলোকে এটা চেলেঞ্জ লৈছে। ইয়াত এটা অৰ্ডাৰ ইছু হৈছে চাওক "কাটলিচেৰা.............................................

"বিশ্বস্ত সুত্রে জানা যা ঐ বছরেই বন্যা নিয়ন্ত্রণ বিভাগ টেণ্ডার ডেকে কাটলীছড়া বাজার রক্ষার্থে নদীর ধারে স্পার তৈরীর প্রয়োজনীয়তা উল্লেখ করে কয়েকটি অর্ডার ইস্যু করেন অথচ আশ্চর্যের ব্যাপার সেইসব টেণ্ডার গোপনে রাকি ডাকা হয়েছিল। টেণ্ডারালির নং ওতারিখ নিম্নরূপ :-

১। নং ডব্লিও। ১০। ৮৩—৮৪। ৫৮২, তাং—৭—৭—৮৩।

২। নং ডব্লিও। ১০। ৮৩—৮৪। ৯৬৮, তাং—৩—৭—৮৩।

৩। নং ডব্লিও। ১০। ৮৩—৮৪। ৫৭৯, তাং—৭—৭—৮৩।

৪। নং ডব্লিও। ১০। ৮৩—৮৪। ৯৬৫, তাং—৩—৮—৮৩।

৫। নং ডব্লিও। ১০। ৮৩–৮৪। ৫৮৫, তাং–৭–৭–৮৩।
৬। নং ডব্লিও। ১০। ৮৩–৮৪। ৫৮৮, তাং–৭–৭–৮৩।
৭। নং ডব্লিও। ১০। ৮৩–৮৪। ৫৯৪; তাং–৭–৭–৮৩।
৮। নং ডব্লিও। ১০। ৮৩–৮৪। ৫৯৭, তাং–৭–৭–৮৩।
৯। নং ডব্লিও। ১০। ৮৩–৮৪। ৬০০, তাং–৭–৭–৮৩।

অথচ বন্যানিরন্ত্রণ বিভাগ কর্তৃক গত এক দশক ধরে কাটলীছড়া বাজার রক্ষার্থে কোন কাজ হয়েছে বলে স্থানীয় জনসাধারনের জানা নেই।

কাটলিচেৰাৰ এই ওৱৰ্ক অৰ্ডাৰৰ সম্পৰ্কত স্থানীয় ৰাইজে কৈছে যে তাত যোৱা ১০ বছৰো তাত একো কাম হোৱা নাই আৰু শতকৰা ১০০ ভাগেই ত্বৰ্নীতি। বিভিন্ন বিভগৰ একো কাম নকৰাকৈ বিল পাছ কৰাৰ এটা কথা এই বিধান সভাতে মই ধৰিছিলোঁ। ইমানতো বিভাগীয় অফিচাৰ জনক বদলি নকৰি কোৱা হল যে তাৰ কাম খিনি কৰি দিব লাগে। গাওঁৰ ৰাইজে কিন্তু সেই অফিচাৰ জনক জৰিমনা কৰিলে। তেওঁলোকে কলে যে কাম যদি কৰিব খুজিছা তেন্তে দীঘলীয়া ৰাস্তা আৰু দলং এখন আগতে বনাই দিব লাগিব। এনে ব্যৱস্থাও হৈছে। ওৱৰ্ক অৰ্ডাৰৰ বিষয়টো তদন্ত হব লাগে। কিয়নো সিদিনা জিলা প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক জনেই কৈছে যে শিলচৰত একো কাম হোৱা নাই। গতিকে এই বিলাকক যদি ত্বৰ্নীতি বুলি কোৱা নহয় তেন্তে কাক কব?

শ্ৰীজগন্নাথ সিন্‌হা (মন্ত্ৰী): উপাধ্যক্ষ মহোদয়, মই হেমেন দাস ডাঙৰীয়াক কব খুজিছোঁ যে তেখেতৰ দলৰে তাৰ লোকেল এম, এল, এই দেখোন কৈছে যে কাছাৰত খুব ভাল কাম হৈছে।

শ্ৰীহেমেন দাস: উপাধ্যক্ষ মহোদয়, আমি ৯ জন মানুহ ইয়াত আছোঁ তাৰ ভিতৰত আমি একে আদৰ্শৰ দুজন মানুহহে আছোঁ বাকী সকলোৰে নিজ নিজ আদৰ্শ আছে আমি কোনো কাৰো তলতীয়া নহয়।

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (পৌৰপ্ৰশাসন মন্ত্ৰী): কংগ্ৰেছ গণতান্ত্ৰিক অনুষ্ঠান কাৰণেই চেক্ৰেটাৰীয়ে তেনেকৈ ব্যক্তিগত ভাবে কব পাৰিছে।

Shri Binoy Kumar Basumatari : Under Rule 275 of the House, I raise a Point of Order. There is a decorum of the House which we are not following.

Sri Hemen Das : It is a bad practice in administration, it is a separate establishment, it is your weakness, give him free hand, don't held him up.

তাত সাহায্য দিবলগীয়া হৈছে। পচিশ জন মানুহ মৰিছে। তাৰ কাৰণেও সাহায্য দিবলগীয়া হৈছে। বান নিয়ন্ত্ৰণৰ নামত ইফালে খৰচ হৈ আছে আৰু আনহাতে সাহায্য দিয়াৰ কাৰণেও টকা খৰচ কৰিবলগীয়া হৈছে। সেই কাৰণে মই দাবী জনাওঁ এই কাছাৰৰ বান পানী নিয়ন্ত্ৰণৰ সম্পৰ্কত সকলোখিনি কথা চি-বি-আই পৰ্য্যায়ৰ তদন্তৰ কাৰণে দিব লাগে। সমগ্ৰ বৰাক উপত্যকাতে কিমান টকাৰ কিমান কাম হৈছে সকলো বিলাক পৰ্য্যালোচনা কৰাৰ কাৰণে চি-বি-আইক ভাৰ দিয়া হলে এই সকলো বিলাক কথা ওলাই পৰিব। আজি প্ৰশাসনৰ কোনো মানদণ্ড নাইকীয়া হৈছে। এম-এল-এ বা মন্ত্ৰীক সুধি বিষয়া আদি নিযুক্ত কৰা হয়। এইটো কেনে ধৰণৰ কথা। এম-এল-এ বা মন্ত্ৰীৰ স্বাৰ্থৰ কাৰণে কোনো এঠাইত কোনো এজন বিষয়া বা কৰ্ম্মচাৰীক ৰখা নৰখা বা বদলি কৰা উচিত নহয়। প্ৰশাসন বেলেগ বস্তু। তাত প্ৰশাসনীয় স্বাৰ্থত বাক য'ত ৰাখিব লাগে ৰখা দৰকাৰ তাৰ কাৰণে মন্ত্ৰী এম-এল-এৰ স্বাৰ্থ গণ্য কৰা উচিত নহয়। মোক কোনো কোনো মন্ত্ৰীয়ে বিষয়া আদি ৰখা নৰখাৰ ওপৰত কথা সুধিলে মই কৈছো যে মই সৰভোগ সমষ্টিৰ এম-এল-এ। তাৰ বিষয়া সকলে মোক এম-এল-এ পতাও নাই আৰু ভাৱিবও নোৱাৰে গতিকে তেওঁলোকৰ লগত মোৰ কোনো স্বাৰ্থ নাই। জনসাধাৰণৰ লগত আমাৰ সম্বন্ধ। ৰাজনৈতিক দৃষ্টিভঙ্গী লৈ বিষয়া আদি ৰ'দ-বদল কৰা কাৰ্য্য থকাটো উচিত নহয়।

এইখন অসম। পশ্চিমবঙ্গ নহয়। পাৰ্টিৰ দালাল হলে তেতিয়াই পাৰ্টিৰ পৰা বাদ দিব। দালালি কৰা মানুহক পাৰ্টিত এক চেকেণ্ড সময়ো নাৰাখে। প্ৰশাসনত কোনো দুৰ্নীতিৰ শেষ নাই। ধনতন্ত্ৰবাদত দুৰ্নীতিৰ শেষ নাই। চৰকাৰৰ কাৰণে কাম কৰাৰ এয়েই সময়। চৰকাৰী পক্ষই কাম কৰাৰ উপযুক্ত সময়। বিষয়া কৰ্ম্মচাৰী এম-এল এ বা মন্ত্ৰীৰ স্বাৰ্থত দিব নালাগে কেৱল প্ৰশাসনৰ স্বাৰ্থতহে দিব লাগে। আমাৰ এম-এল-এ মন্ত্ৰীৰ কাৰণে ৰুল নাই। অফিচাৰ সকলৰ ৰুল আছে। আমি দিব কলেও অফিচাৰে ৰুলে এলাও নকৰিলে দিব নালাগে। ৰুলৰ ভিতৰত কাম কৰা উচিত। আমি অনুৰোধ কৰিব পাৰো, ৰখা নৰখা তেওঁলোকৰ কথা, ৰুলৰ কথা।

মাননীয় উপাধ্যক্ষ: আপুনি কাছাৰৰ কথালৈ যাওক।

শ্ৰীহেমেন দাস: কাছাৰৰ সমস্যাৰ সমাধান কৰিবলৈ যাওঁতে এই সকলোবিলাক কথা আহিছে। অসমৰ কথা। কাছাৰ অসমৰ এখন জিলা গতিকে অসমৰ কথাৰ

মাজতে কাছাৰো সোমাই পৰিব। তাৰ জনসাধাৰণৰ দুখ দুৰ্দ্দশাক্লিষ্ট হৈছে। আমি দুখ প্ৰকাশ কৰিছো। এইটো চৰকাৰ পক্ষ বা বিৰোধী পক্ষৰ পৰা কোৱা কথা নহয়। বান নিয়ন্ত্ৰণ বিভাগত ভাল অফিচাৰ নাই বুলি নকওঁ। বাননিয়ন্ত্ৰণ বিভাগৰ বিষয়াক ইয়াত গুনানুকীৰ্ত্তণ কৰিছে। শ্ৰীবৰ্ম্মণ নামৰ বিষয়া এজনক। ইয়াত লিখিছে

"মিষ্টাৰ বৰ্মন যখন এই শিলচরে ছিলেন তখন উনি রাত্রিতে খালি পায়ে হাটিয়া তাহার অধীনস্থ কৰ্মচারীদের নিয়া সিমেন্ট বেগ লইয়া গ্রামবাসী বা টাউন বাসীদের বাসাবাড়ী হইতে মাটি সংগ্রহ করিয়া 'ব্ৰীচ্' বা 'অভাৰষ্টপ্' বন্ধ করার জন্য ব্যস্ত ছিলেন এবং তিনি অবিরাম বৃষ্টিতে ভিজিয়া এই সমস্ত কাজ পরিচালনা ও পরিদর্শন করিয়াছিলেন।"

এই বিষয়া জন বৰ্ত্তমান বাননিয়ন্ত্ৰণৰ সচিব হৈ আছে। ইউ-কে-বৰ্ম্মণ। তেওঁক কাম কৰিবলৈ ফ্ৰী হেণ্ড দিব লাগে। ইয়াত আৰু লিখিছে —

"নিজে লক্ষীপুর আঞ্চলিক পঞ্চায়ত সহ শিলচর হইতে সোনাই হইয়া নিজে লক্ষীপুর পর্য্যন্ত 'পিক্ ফ্লাৰ্ড্ পেরিও' নৌকা যোগে ভ্রমণ করিয়া ফ্লাৰ্ড্‌র ২৪ ঘণ্টার ভিতৰে তিনি সমস্ত ব্ৰীচ এবং অভারটপড্ বন্ধ করিয়া ছিলেন। তাহার এই কাজেরজন্য শিলচর মহকুমা পরিষদের মিটিং হলে তাহার কাজের ভুয়সী প্রশংসা করা হয়েছিল। কিন্তু বর্তমানে তাহারই অধিনস্থ অফিসারগণ নিজ নিজ দায়ীত্ব এবং জনসাধারনের উপকারার্থে কি করিতেছেন।"

কিন্তু ভাল ভাল দক্ষ বিষয়া সকলে কাম কৰিব নোৱাৰে। বাধা আহিপৰে ৰাৱণৰ মিচিনা দুৰ্নীতি আহি পৰে। কাছাৰত বাননিয়ন্ত্ৰণৰ নামত দিয়া টকাৰ শতকৰা পয়সত্তৰ ভাগো খৰচ কৰা হোৱা নাই। এই বিষয়টো চি-বি-আইক তদন্ত কৰিবলৈ ভাৰ দিব লাগে। কাছাৰৰ জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা হব লাগে। কিয়নো তেওঁলোক অসমৰেই জনসাধাৰণ। আশাকৰো বিষয়টো মন্ত্ৰী মহোদয়ে এই দৃষ্টি ভঙ্গীৰে বিবেচনা কৰিব।

* Shri Altaf Hussain Majumdar : Mr. Deputy Speaker Sir, may be due to Nature or for the lapses of the Department the flood had occured. But the fact remains that this time people had the extreme suffering in the district of Cachar. I should not dilate much on this point, but certain questions, certain broad points are there to be discussed about the working

*Speech not corrected.

of the Department. There have been certain lapses not only to-day but previously also. There were allegations against officers of the Department. I will first of all try to pose a question in the context of the recent flood. In 1966 the level of flood water at Silchar was 21.08 and in the flood of 1976 it was 21.05 and in 1985 it came up to 21.45. If we examine the flood level of different years then we will find that in 1985 it has been 1/5 " higher. So the water level raised 1 ft. 3 inches than the 1966 flood. So after 1966 the matter was examined by the department and then it was decided there sould be a margin of 5 ft. Now, Sir since 1966 steps have been taken in this embankment for strengthening, raising and even Sir, special requirement of all these things. So my question Sir, that in all these years this could not go up by 1 ft 3 inches. So, I would suggest the Hon'ble Minister to look into this particular point that why the department could not foresee that after about 20 years only an increase of 1 ft. 3 inches could not be done. So, where was the margin. Then the question boils down that actually the raising and strengthening were not done to that extent all these years otherwise embankment could have been raised more than 5 ft. No Sir, even some people communicated that at the time of raising and strengthening of embankment estimated were submitted showing more than the existing height keeping a margin there in order to get margin of atleast 1 ft. 3 inches. So, the first immediate necessary thing to examine how the Sanctions were recorded by the Sos and other staff and let it be compared between 1966 to 1985. How this margin during this flood have been even shown lower than as it is now. As the allegations are there, it is bounden duty of the department to examine technically. First of all I will appeal to Hon'ble Minister that there should be an investigation on the point that why a rise of 1 ft 3 inches could not be checked by the department, what was the fault, where was the technical defect. This should be examined by an Inquiry Committee which has been assured by the Hon'ble Minister. Sir, there was unpardonable lapse on the part of the department. There were certain Sluice Gates ; I am referring to my Sluice Gate i. e. in my Borkhola Constituency. Tenders were called long before, but the works have not been done. So, I would

request the Hon'ble Minister to look into it properly that which were the Sluice Gates sanctioned and tenders were called and work orders were given and why not completed. As it has been long delayed, question of escalation of price will come when the contractors will come for their payment and if the payment is accepted then the Sluice Gates must be completed. Attention must be given to this. Sir, so also priority must be given in case of those missing links and those portions are pending since long. We have been pointing out day in and day out that these openings must be stopped. Why the openings are there year after years. Some says it is because of land dispute, some says there are other difficulties Now some people have cut the embankments. It is a fact. According to Irrigation Department there are some more cuts. How far it is true or false can be judged by local evidences. In certain areas embankments, drainages are there in such a manner that the larger part of the villages are outside the embankment. These majority people of the villages are more powerful and to save their houses they can rush to the other side. Why these people are cutting in those areas ? These people are cutting every. time, everytime they are doing it. We do not justify cutting, what are the reasons for it so that in future people may not cut, So, Sir, these are the broader aspects I have referred to. No doubt some lapses were there of some personnel. Apart from that, I will not blame any particular officer or a particular Minister. But these are growing since 1966. So, a thorough investigation is necessary as to how people can be protected. This time Sir, we are surprised to note that in certain areas people could not save their smallest needs because water rushed within 45 minutes. Sir, now I will come about a particular allegation of all these things. It is not that we have got publicity in paper. This particular allegation was brought to the notice of the Minister and we hope, if anybody is found guilty of the lapses, action will be taken against him. I am happy that this has been assured. So, Sir there should be investigation on broader aspect what were the failures of the department, whether it left between doing things or it should have been done long before. The second aspect is a particular allegation against a particular officer which will be looked into. Now Sir, for such inquiries, I have got some experience. Sometimes the department completes

the whole enquiry in the Circuit House itself, or in some cases the Enquiry officer visits the enquiry spots in such a hour when public cannot be there. These are the people sent for collecting evidences there. I have told the Minister to meet the public there. So, Sir we have suffered a lot, let us now rectify it in depth and details, I hope, Flood Control Department understand the misery of the people but these people have been betrayed and there were untold sufferings. I hope the Flood Control Minister will take up the whole matter in right earnest and will lead the department in a better way. With these words I conclude Sir,

Thanking you

Hon'ble Deputy Speaker : I like to inform all Hon'ble members of this House that Hon'ble Minister, Flood Control will make a statement in this issue tomorrow. Hon'ble Minister will give a reply just after 12.30. Hon'ble member will take only 7 minutes time. Shri Basumatary is to speak.

Shri Binoy Kumar Basumatary : This state of affairs exists every year in the district of Cachar. The failure of the flood control department is not the only cause for such a precarious situation, Sir, the entire district authorities were quite indifferent, though the primary responsibility lies with the Flood Control Department. But after occurance of the flood what happened the entire machinery of the administraion collapsed. We were told that the road from the Airport to City was under water. As a result there were no food supplies and whatever food supplies were there - they were destroyed. We are now receiving complaint regarding Health and Sanitation. Consequently, preventive measures could not be taken in time and there are reports of deaths. There fore, Sir, to me the enquiry by the Flood Control Department is not enough. Sir, there are criminal aspects of the case also. We have with us many complaints that some of the members from Rajya Sabha openly assaulted some of the people who had come forward to complain and place the grieviances of the people before the Hon'ble Minister. Even when some affected people went to place their grieviances before the Goverment they were prevented and when these people went to file a case with the police against those high-ups ; the case was not taken up by the police. So, Sir, it is not a case with Flood Control Department alone. All these should be properly looked into and, therefore, Sir, perhaps the criminal aspect the BFC i.e. particularly in relation to the financial corrupti would

other related matters may perhaps be looked into by the CB1 as stated by our Hon'ble member Mr. Das. Our Hon'ble member from the treasury bench Mr. Mazumdar told about that efficiacy of the enquiry. Therefore, I would like to demand, Sir, a Judicial enquiry should be instituted to go into the entire aspect of the flood situation in Cachar district. The judicial enquiry committee will also enquire into the lapses of Health, Sanitation department also with all other aspects including criminal aspect where members from Rajya Sabha is assaulted and the affected people of the district did not get any protection. I had in my mind our limitations. Therefore, Sir, it is not suffcient that only enquiry by BFC is conducted Sir, Cachar has become a problem district. Along with this there are other circumstances also. I do not like to name those who are responsible for collapsing the water reservior overhead in Cachar. These people are still there. Sir, once I was the Chief Minister when some other members of Cachar District were also present in the chamber. They all started quarreling in front of the Chief Minister on the issue of a transfer order of PHE department. Amongst the MLAs one group wants the transfer order and the other group wants stay order.

Shri Jagannath Sinha (Minister) : Objected to this remark.

....... Interruptions ........

Shri Binoy Kumar Basumatary:Sir, it is not a particular situation in Cachar alone; it exists everywhere. Therefore, Sir, it is no longer with BFC alone. Sir, for instance I am citing–even a partyman Md. M. A. Lasker who is supposed to be the Secretary of the Congreses (I) APCC; he has himself stated in a paper that an amount of Rs.72 lakhs for FDR has not been utilised. I will not take much time, Sir, as I have limited time. In view of all these things, I consider it in quite fitness of things that a Judicial Enquiry be made to look into all the the departments. Flood Control department enquiry should be conducted by CBI. The judicial enquiry committee should enquire into the entire affair of Cachar administration. With these few words, Sir, I conclude my speech.

again শ্ৰীপূৰ্ণ বড়োঃ উপাধ্যক্ষ মহোদয়, কাছাৰ জিলাত বৰ্তমান বানপানীয়ে যি
inquiries, কৰিলে সি অবৰ্ণনীয়। এই বানপানীত ২৫ জন মানুহৰ মৃত্যু হৈছে,

আৰু হেজাৰ হেজাৰ গৰু ম'হ উটি গৈছে। তৎস্বত্বেও কাছাৰ জিলাক চৰকাৰে বান পীড়িত অঞ্চল বুলি ঘোষণা কৰা নাই কিয়? আমি বিৰোধী পক্ষৰ পৰা কাছাৰ জিলাক বান পীড়িত অঞ্চল বুলি ঘোষণা কৰিবলৈ এই সদনত দাবী জনাইছো।

Mr. Deputy Speaker : Hon'ble Minister, Revenue will please speak.

Shri Keshab Chandra Gogoi (Minister) : Sir, regarding declaring Cachar as flood affected district we are taking all steps and it will be done immediately after all the formalities are completed. Regarding other matters, we already had discussions with my hon'ble friend Shri Basumatari. So, Sir, this is the position.

## CONSIDERATION & PASSING OF GOVERNMENT BILL

Mr. Deputy Speaker : Now hon'ble Minister, Labour will move the Assam Industrial Establishments (Conferment of permanent status to workmen Bill, 1985.

Shri Rameswar (Minister) : Sir, I beg to move that the Assam Industrial Establishments ( Conferment of permanent status to workmen ) Bill, 1985 be taken into consideration.

Mr. Deputy Speaker : Now I put the motion before the House that the Assam Industrial Establishments (Conferment of permanent status to workmen) Bill, 1385 be taken into consideration. The motion is passed.

Shri Silvius Condpan : Sir, I rise to extend my support and appreciate the stand of the Government for bringing up this piece of legislation as an amendment of the original Bill. Sir, the conferment of permanent status workmen through this amendment as contemplated or intended, will definitely stop the unfair labour practice that is going on in the State. Sir, this Bill will definitely prevent such unfair labour practices by the Management of Industrial Establishements, particularly in the tea gardens. Sir, this will be a document to protect the interest of the workers. But, Sir, I would like to submit here that at the time of implementation we see very unhappy state of affair . The Inspectors are given power to look into it but still the Management, what I apprehend, will try to find out loopholes within it during the time of implementation to carry on their systematic and continued unfair labour practices-they will try to deprive the workers from getting the permanent status . Therefore, I would request the Hon'ble Minister, Labour to kindly use his good offices to make the department very vigilant against such unfair labour practice . Thank you, Sir.

শ্ৰীপূৰ্ণ বড়োঃ উপাধ্যক্ষ মহোদয়, এই বিলখনৰ সংক্ৰান্তত মই দুই এটা কথা কব বিচাৰিছো। এই বিলখনৰ আমি বিৰোধিতা কৰা নাই। কিন্তু ইয়াত কেইটামান সংশোধন অনা হৈছে আৰু এই সংশোধন সমূহ সদনত মন্ত্ৰী মহোদয়ে মানি ললে আমি ভাল পাম। এই বিলখনে উদ্যোগ প্ৰতিষ্ঠান সমূহত শ্ৰমিক সকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে যিবোৰ প্ৰস্তাৱ উত্থাপন কৰা হৈছে সেই প্ৰসঙ্গ আমাৰ বক্তব্য হল যে কাৰখানাৰ মালিক সকলে শ্ৰমিক সকলক শোষণা কৰি আহিছে আৰু ঠগি আহিছে। আজি শ্ৰমিক সকলে যি ধৰণে মজুৰী পাব লাগিছিল সেই ক্ষেত্ৰত তেওলোকক বঞ্চিত কৰা হৈছে। আমি জানো যে চাহ শিল্প, প্লাইউড ফেক্টৰী আদিক বাদ দি অন্যান্য প্ৰতিষ্ঠান সমূহৰ কথা যদি ধৰা যায় তেনেহলে দেখিম যে সেইবোৰত বহুসংখ্যক শ্ৰমিক নাথাকে কিন্তু মালিক সকলে আইনৰ সুৰুঙা লৈ কম সংখ্যক শ্ৰমিক দেখুৱাই আইনক ফাকি দি তেওলোকৰ প্ৰতিষ্ঠান সমূহ চলাই আহিবলৈ যত্ন কৰিছে। ইয়াৰ বাহিৰেও যিবোৰ সৰু সুৰা কাৰখানা আছে সেইবোৰৰ মালিক সকলে তাৰ শ্ৰমিক সকলক অস্থায়ী কৰিয়েই ৰাখি কাম চলাই আহিছে। একোটা প্ৰতিষ্ঠানত একে সময়তে যি সকলে কামত সোমাইছে তাৰে এটা অংশক অস্থায়ী কৰি ৰাখিছে তেওলোকে হয়তো ৬/৯ মাহৰ পৰা ১২ মাহ পৰ্য্যন্ত তাত কাম কৰি আহিছে। আৰু হয়তো তাৰ মাজতে ২-১ জনে দুই এদিন ছুটি লৈছে যাৰ কাৰণে সেই শ্ৰমিক কেইজনক চাকৰিৰ ডিচকন্টিনিউ কৰি পুনৰ টেম্পৰেৰী কৰি পেলাইছে। আৰু ইয়াৰ কাৰণেই পিচত এই শ্ৰমিক সকলক কামৰ পৰা ছাটাই কৰিছে মালিকে। গতিকে এই ক্ষেত্ৰত সংশোধনী আনিব বিচাৰিছো যে এই শ্ৰমিক সকলৰ কামৰ নূন্যতম ম্যাদ যি ছমাহ বান্ধি দিয়া হৈছে তাতোকৈ আৰু কিছু কমাই যি সকলে এনেবোৰ প্ৰতিষ্ঠানত কাম কৰিবলৈ আহে তেওলোকৰ জীৱন যাপনৰ ৰক্ষণা বেক্ষণ দিয়াৰ ব্যৱস্থা হাতত লব লাগে। সেই কাৰণে এই বিলখনৰ সন্দৰ্ভত আমি আৰু কেইটামান সংশোধনী আনিম বিশেষকৈ যিকেইটাৰ দ্বাৰা শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা পৰে আৰু আমাৰ এই সংশোধনী কেইটা চৰকাৰে মানি ললে ভাল হয়। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰিলো।

Mr. Deputy Speaker: The discussion will be resumed tomorrow. Now the House stands abjourned till 10·00 a m. on Thursday, the 18th July, 1985.

## ADJOURNMENT

The House rose at 12.30 P. M. and stood adjourned till 10 A. M. on Thursday, the 18th July, 1985.

Dispur,
The 17th July 1985

Dr. P. N. Hazarika
Secretary,
Assam Legislative Assembly